# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

সপ্তম বছৰ দ্বাদশ সংখ্যা

## সূচী


| বিষয় | পিঠি |
|---|---|
| শ্ৰীমন্ত শঙ্কৰ | ৫৯৩ |
| সম্পাদকৰ চৰা | ৫৯৪ |
| জোৱ | ৬০১ |
| বসন্ত | ৬০২ |
| বিলাতৰ কথা | ৬০২ |
| ৰজঘৰীয়া সুৰুমি চিঠি | ৬০৬ |
| মন্দাকিনী | ৬১১ |
| মুক্তিৰ পথ | ৬১২ |
| ভুচুংপত্ৰ | ৬১৩ |
| কৈবৰ্ত্ত জাতীয় হিতকাৰী সভা | ৬১৭ |
| ধৰ্ম্ম সভা | ৬২৩ |
| গোলামী | ৬২৮ |
| এটি প্ৰশ্ন | ৬৩১ |
| শুদ্ধাবণী | ৬৩২ |



Jorhat 15
LIBRARY,
Department of Historical and Antiquarian Studies in Assam
Guwahati-781001
Book No. ---------
Date ---------




# শ্ৰীমন্ত শঙ্কৰ।

শ্ৰীমন্ত শঙ্কৰ গুৰু ভকতৰ কল্পতৰু,
অৱতৰি অসম ভূমিত।
গীতা ভাগৱত মথি কৰি মাধৱ সাৰথি,
উদ্ধাৰিলে নামধৰ্ম্মবিত।
প্ৰজাৰ কল্যাণ হেতু গঢ়িলে সৎসঙ্গ সেতু
থান সত্ৰ পাতি থাৱে থাৱে।
বিষয় বাসনা এৰি ভকত বৈষ্ণৱে বেঢ়ি
হৰিগুণ নিতে যত গাৱে।
দূৰ কৰি ভ্ৰান্তি ভুল, ধৰ্ম্মৰ প্ৰকৃত মূল,
প্ৰচাৰিলে হৰিত ভকতি।
আচৰি যি ধৰ্ম্ম পথ, পালি ৰীতি যথাযথ
অন্ত্যজ সবেও পাৱে গতি।
ভকতিৰ সাৰ মৰ্ম্ম কলিৰ লোকৰ ধৰ্ম্ম
শ্ৰবণ কীৰ্ত্তন অনুপম।
কীৰ্ত্তন দশম আদি ধৰ্ম্ম শাস্ত্ৰে অনুবাদি
ভক্তি পথ কৰিলে সুগম॥
প্ৰবৰ্ত্তি নৱৰ ৰূপে, কাৰ্য্য সাধি স্ব-ৰূপে,
ৰাখিলে আদৰ্শ জগতত।

বিষয় বাসনা ভোগ ভক্তি,জ্ঞান, কৰ্ম্মযোগ
আচৰি সকলো জীৱনত ॥
সংসাৰী ভাবক লই মইমদে মত্ত হই
নাজানো স্মৰিব তব মহিমা অপাৰ।
নিজগুণে কৃপা কৰি অজ্ঞান আন্ধাৰ হৰি
উজলোৱাঁ জ্ঞানচকু বিশ্বাস হিয়াৰ ॥
শকতি সমৰ্থ চাই ভাব ভক্তি অনুযাই
অৰ্পিছোঁ এথনি থগী আজিৰ দিনত।
মৰষি সকলো দোষ লভি তাতে সু-সন্তোষ
দিয়াঁ যেন জন্মে জন্মে স্থান চৰণত ॥

শ্ৰীশ্ৰীশঙ্কৰদেৱ সমিতিৰ সভ্য সকল।

---

# সম্পাদকৰ চৰা।

বুৰঞ্জীৰ গোটাচাৰেক কথা। আসামত প্ৰথম আহোম ৰজা চুকাফা সাহিয়াল, যুজাৰু কাৰ্য্যকুশল বুলি প্ৰখ্যাত। কিন্তু তেওঁও থামনামজাং নৈ ভুৰেৰে পাৰ হৈ নংনিয়াং হ্ৰদ পালত পাটকাই পৰ্ব্বতবাসী কিছুমান নগাৰে সৈতে তেওঁৰ ৰণ লাগে সেই নগাবোৰক তেওঁ ৰণত হৰুৱাই সিহঁতৰ ভিতৰৰ যিবোৰক তেওঁ বন্দী কৰিছিল, তাৰ কিছুমানক কাটি ৰান্ধি সেই মঙহবোৰ বাকী বন্দী নগাবোৰক বলেৰে খুৱাইছিল।

***

সপ্তমজন ৰজাৰ নাম তাইওখামতি। তেওঁ চুটিয়া ৰজাৰ বিপক্ষে যুদ্ধ কৰিবলৈ যাওঁতে তেওঁৰ বৰকুৱঁৰীৰ হাতত ৰাজ্যভাৰ দি গৈছিল। সেই সুযোগতে বৰকুৱঁৰীয়ে ৰজাৰ লাগী সৰু কুৱৰীৰ গাত মিছা দোষ এটা দি সৰু কুৱঁৰীক কাটিবলৈ হুকুম দিলে। সৰুকুৱঁৰী সগৰ্ভা আছিল দেখি মন্ত্ৰীসকলে তেওঁক নকটাই মনে মনে ব্ৰহ্মপুত্ৰ নৈত ভুৰত তুলি উটাই দিলে। ৰজা উভতি আহি সেই কথা শুনি যদিও বৰ দুখিত হৈছিল, কিন্তু বৰকুৱঁৰীৰ ভয়ত একো নকৈ মনে মনে থাকিল। ইয়াৰ পিছতো বৰকুৱঁৰীয়ে ৰাজ্যত নানা অত্যাচাৰ কৰিছিল; কিন্তু



ৰজাই সেইবোৰৰ কোনো প্ৰতিবিধান নকৰাৰ বাবে, মন্ত্ৰী সকলে ১৩৮৯ খৃষ্টাব্দত ৰজাক মৰাই পেলালে।

***

চুদাংফা অষ্টম ৰজা। টিপামৰ ৰজা সকলে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা তেওঁ শুনিবলৈ পায়, সেইটো নুশুনা ভাও জুৰি হাতী ধৰিবলৈ বুলি ওলাল। গড় মাৰি তেওঁ গোটাচেৰেক হাতী ধৰাই সেই গড়ৰ ভিতৰত গৰু মহ মাৰি ডাঙৰ ভোজ এটা পাতি সেই ভোজলৈ টিপমীয়া ষড়যন্ত্ৰকাৰী সকলক আদৰি সাদৰকৈ মাতি আনিলে। সকলোৱে ৰংধেমালি কৰি ভোজ খাই থাকোঁতেই ভোজৰ মাজতে তেওঁ হঠাৎ ষড়যন্ত্ৰকাৰী সকলক ধাৰাই মৰাই পেলালে।

***

দ্বাদশজন ৰজা চুহেন্‌ফাক ১৪৯৩ চনত টাইকংবান কৈদৰ মানুহ গোটাচেৰেকক ফেটাই দি সিহঁতৰ হতুৱাই বুঢ়াগোহাঁয়ে বধ কৰায়।

***

চুহেন্‌ফাৰ পিছত তেওঁৰ পুতেক চুপিম্ফা ৰজা হল। চুপিম্ফাৰ কুৱঁৰী এজনাই এদিন ৰজাঘৰত কৰ দিবলৈ অহা নগা ৰজা এজনক দেখি সেই নগাজন দেখিবলৈ গঢ়িত বুলি প্ৰশংসা কৰা চুপিম্ফাৰ কাণত পৰাত চুপিম্ফাই কুৱঁৰীক সেই নগা ৰজাৰ গাৱঁত মেলি থৈ আহিবলৈ হুকুম দিলে। যেনে হুকুম তেনে কাম হল। কুৱঁৰী সেই সময়ত গৰ্ভৱতী আছিল।

***

চুহংমুং যি হিন্দু নাম স্বৰ্গনাৰায়ণ লৈছিল, আৰু যাক দিহিঙীয়া ৰজা বোলে তেওঁ চুটিয়া বোৰক ৰণত হৰুৱাৰ পিছত, চুটিয়া ৰজা আৰু কোৱঁৰৰ মূৰ দুটা অনাই চৰাইদেও পৰ্ব্বতলৈ উঠা খটখটিৰ তলত পোতাই থৈছিল, যাতে আহোম ৰজাসকলে চৰাইদেওৰ মন্দিৰত পূজা কৰিবলৈ যাওঁতে সেই মূৰৰ ওপৰত ভৰি দি গচকি যাব পাৰে।

***

চুহংমুং ৰজাৰ কোৱঁৰ চুক্লেন্‌মুঙৰ সৈতে বাপেকৰ মনান্তৰ ঘটিল। সেই মনান্তৰ ঘটিবৰ ঘাই কাৰণ, ডিমাপুৰত কছাৰী ৰজাক হৰুৱাই তিনিজনী কছাৰী ৰাজকন্যা চুহংমুঙে লাভ কৰিছিল। পুতেক চুক্লেন্‌মুঙে ৰাজকন্যা কেইজনীক তেওঁক

লাগে বুলি বাপেকক কলে। বাপেকে সেই কন্যা কেইজনী নিজলৈ ৰাখিবৰ ইচ্ছা প্ৰকাশ কৰি সেই প্ৰস্তাৱত অমান্তি হল। বাপেকৰ ব্যৱহাৰত পুতেক খঙত জলা জুই হল। শেহত চুক্লেনমুঙে ৰজাৰ এটা কছাৰী লগুৱাক হাত কৰি তাৰ হতুৱাই ৰজাক ৰাতি শোৱাপাটীত টোপনিতে বধ কৰালে।

***

পিতৃবধী চুক্লেন্মুং ৰাজপাটত উঠিয়েই প্ৰথমতে সেই মানুহটোক, যাৰ দ্বাৰাই তেওঁ তেওঁৰ বাপেকক হত্যা কৰাইছিল, তাৰ ভায়েক বিলাকেৰে সৈতে মৰাই পেলালে।

***

প্ৰতাপসিংহ যাৰ আচল আহোম নাম চুচেংফা আৰু যাক বুদ্ধি স্বৰ্গনাৰায়ণও বুলিছিল, হিন্দু-ধৰ্ম্মৰ ফালে ঢালখোৱা আছিল। তেওঁৰ দিনত বামুনসকলৰ প্ৰভাৱ আহোম ৰাজ্যত অনেক বাঢ়িছিল। তেওঁ বামুনসকলক অনেক মাটিবাৰী দান কৰিছিল, আৰু দেৱগাওঁ আৰু বিশ্বনাথ আদি ঠাইত অনেক শিৱদৌল স্থাপন কৰিছিল। এদিন ব্ৰাহ্মণসকলক দান দক্ষিণা কৰি থকাৰ অলপ পিছতে তেওঁৰ কোৱঁৰ এজন কিবা নদীয়া হৈ চুকাল। সেইবাবে ৰজাৰ খং উঠি তেওঁৰ দান লোৱা বামুণ সকলৰ অনেকক ধৰি শাস্তি দিলে, আৰু কোনো কোনোক বধ কৰালে।

"প্ৰতাপসিংহৰ তিনিজন কোৱঁৰ আছিল। বৰজন কোৱঁৰৰ নাম চুৱাম্ফা, মাজুজনৰ নাম চুটিয়ান্‌ফা, আৰু সৰুজনৰ নাম চাই আছিল। বুঢ়া ৰজা স্বৰ্গনাৰায়ণৰ বৰ নৰিয়া হলত, তেওঁৰ সৰুজন কোৱঁৰ চাইয়ে কিছুমান বণুৱা মানুহ গোটাই লৈ, বাপেক মৰাৰ পিছত সিংহাসন অধিকাৰ কৰিবৰ নিমিত্তে সাজু হল। বৰকোৱঁৰ চুৱাম্ফাই মাজু ভায়েক চুটিয়ান্‌ফাক কলে যে তেওঁ নিজে যেতিয়া নিঃসন্তান, তেওঁৰ পিছত যে চুটিয়ান্‌ফাই যে ৰাজ্য পাব সেইটো ধ্ৰুপ। এই বুলি তেওঁ চুটিয়ানফাক বুজাই প্ৰবোধ দি নিজৰ ফলীয়া কৰি লৈ, দুয়ো মিলি ষড়যন্ত্ৰকাৰীসকলৰ সৈতে চাইক নগৰৰপৰা বাজ কৰি খেদাই দিলে। প্ৰতাপসিংহ চুকালত ডাঙ্গৰীয়াসকলে চুৱাম্ফাক ৰজা পাতি সেৱা কৰিলে। তাৰ পিছত চাইয়ে আকৌ ষড়যন্ত্ৰ কৰি ধৰা পৰি চুৱাম্ফাৰ হাতত প্ৰাণ হেৰুৱালে। চুৱাম্ফা ৰজা হৈয়েই মাহী মাক এজনাক নিজৰ কুৱঁৰী কৰি ললে। তাৰ পিছত চেটিয়া জাতৰ তিৰুতা এজনীৰ গিৰিয়েকক বিহ খুৱাই মাৰি তাইক নিজৰ কুৱঁৰী কৰিলে। চেটিয়া কুৱঁৰীয়ে আগৰ গিৰিয়েকৰ



ভতিজা লৰা এটীক তোলনীয়া পো কৰি লৈ ৰজাৰ হতুৱাই সেই লৰাক যুৱৰাজ মনোনীত কৰালে। চুৱাম্ফাই ৰজা হৱৰ আগেয়ে চুটিয়ান্‌ফাৰ আগত কৰা অঙ্গীকাৰ এই দৰে ভঙ্গ কৰিলে। ইয়াৰ কিছু দিনৰ পিছত সেই তোলনীয়া লৰাটো মৰি থাকিল। তোলনীয়াক বিহ খুৱাই মাৰিলে বুলি চুটিয়ান্‌ফাৰ পুতেক এজনৰ গাত মিছা বদনাম পৰিল, আৰু সেই কোৱঁৰৰ প্ৰাণদণ্ডৰ হুকুম হল। পুতেকৰ জগৰত (যদিও সেই জগৰৰ কোনো প্ৰমাণ নাছিল) বাপেক চুটিয়ান্‌ফাৰ ধন সম্পত্তি "কোবোক" হৈ ৰাজভঁৰাললৈ আহিল; আৰু ইয়াৰ লগে লগে চেটিয়া কুৱঁৰীৰ ইচ্ছা মতে আৰু এটা ৰাজআজ্ঞা প্ৰচাৰিত হল যে প্ৰত্যেক জন ডাঙৰীয়াৰ একোটি কৈ লৰা সেই তোলনীয়া লৰাৰ সৈতে উমলি থাকিবলৈ মৈদামত দিব লাগিব।"

চুৱাম্ফাক ৰজা ভাঙ্গি বনবাস দি তাৰ পিছত বিহ খুৱাই মৰা হল, আৰু তেওঁৰ পিছত চুটিয়ানফাক ৰজা পতা হল।

***

আহোম ৰজাৰ আৰু ডাঙৰীয়া সকলৰ মৈদামত মৰা শৰটোৰ সৈতে জীয়া মানুহ পোতাটো আহোম বিলাকৰ ভিতৰত চলিত সাধাৰণ নিয়ম আছিল। প্ৰতাপসিংহ ৰজাৰ মাকৰ শৰেৰে সৈতে মৈদামত চাৰিটা হাতী, দহোটা ঘোৰা আৰু সাতোটা মানুহ দিয়া হৈছিল। মৃতকে খাবলৈ বস্তু, পিন্ধিবলৈ কাপোৰ কানি, আৰু ব্যৱহাৰ কৰিবলৈ সোণৰূপৰ বাচন বৰ্তন ৰূপ বান আৰু বনবাবি কৰিবলৈ বন্দীবেটী মৈদামৰ ভিতৰত দিয়া হৈছিল।

***

দিল্লীৰ লৌহস্তম্ভ ( Iron pillar ) অৰ্থাৎ লোৰ খুটাটো পুৰণি ভাৰতবৰ্ষৰ কমাৰৰ এক অতি আশ্চৰ্য্য কাৰিকৰী। এই স্তম্ভটো ২২ ফুট ওখ। গোটেইটো জোখত ৬০ ফুটমান হব; কাৰণ মাটিত পোত খাই থকা ডোখৰৰ জোখ এতিয়ালৈকে হোৱা নাই। ইয়াৰ মাটিৰ ওপৰৰ গুৰি ডোখৰৰ বেৰ ১৬০৪ ইঞ্চ, আৰু আগ ডোখৰৰ বেৰ ১৩০৫ ইঞ্চ। ইয়াত ৮০ কিউবিক ফুট লো আছে, আৰ তাৰ গধুৰ ১৭ টন। কেতিয়া কোনে কাৰ দিনত এই লোৰ খুটাটো গঢ়ি পুতিছিল কব নোৱাৰি। কোনো কোনো পণ্ডিতে কয় খৃষ্ট জন্মৰ প্ৰায় ৪০০ বছৰৰ আগেয়ে এই খুটাটো বৰ্ত্তমান ঠাইত স্থিৰ কৰা হৈছিল। কেনেকৈ ভাৰতবৰ্ষৰ মানুহে এনে এটা একেডুখৰীয়া লো গঢ়ি পিটি তৈয়াৰ কৰিছিল, ইয়াৰ সম্বেদ আজি

কালিৰ পৃথিবীৰ ডাঙ্গৰ ইঞ্জিনিয়ৰ সকলেও ভাবি নাপায়। আজিকালি আমি ভাৰতবৰ্ষৰ কমাৰশালত দেখা ভাটিৰ নিচিনা ভাটিৰে ইমানটো খুটা কৰা অসম্ভৱ। খুটাটো নিমজ; আৰু আচৰিত কথা যে তাত কেতিয়াও মামৰে নধৰে; সেইদেখি অনেকে তাক bronze ধাতুৰ বুলি ভুল কৰে। পুৰণি ভাৰতৰ জ্ঞান, বিদ্যা, সভ্যতা সকলো দিনে দিনে অত্যুচ্চ আছিল, এই স্তম্ভটোৱে থিয় হৈ জগতবাসীক আজিলৈকে কব লাগিছে। আলেকজেন্দ্ৰিয়াত পম্পেৰ পিলাৰ (Pompeys pillar) বুলি এটা সুন্দৰ শিলৰ স্তম্ভ আছে, সি ১১৪ ফুট ওখ। দিল্লীৰ খুটাৰ নিচিনা খুটা আজিকালি Steam Engine অৰ্থাৎ ভাপকলৰ বাহিৰে আন প্ৰকাৰে গঢ়িবৰ উপায় নাই।

***

গ্ৰীচৰ পুৰণি নাম হেলাচ (Hellas) গ্ৰীচৰ ৰজাক গ্ৰীচৰ ৰজা বুলি নেনো নিজৰ ৰজা (King of the Hellenes) বোলাটোহে শুধ।

***

পুৰণি গ্ৰীক ভাষাত ভালেমান ভাঁজ সোমাই সি বৰকৈ ভঁজুৱা হৈছিল; গত ৫০ বছৰৰ ভিতৰত তাক শুধৰাই আকৌ ভালেখিনি পুৰণি গ্ৰীক ভাষাৰ নিচিনা কৰা হৈছে।

***

বিশ্ববিখ্যাত লেখক হমৰ (Homar) হিৰডটচ্ (Herodotus), এচ্কাইলচ্ (Aeschylus), চফক্লিচ (sophocles), ইউৰিপিডিচ্ (Euripides) গ্ৰীক আছিল।

***

আগেয়ে গ্ৰীচত হিন্দুৰ দৰে অশৌচত অৰ্থাৎ মৃতকৰ নিমিত্তে শোক কৰা ডোখৰ কালত হে ডাঢ়ি খুৰুৱাইছিল। গোফ ৰখাটো ভাল মানুহৰ দস্তুৰ নাছিল।

গ্ৰীচ দেশত প্ৰচলিত যাই ধৰ্ম্ম "orthodox catholicism" গোৰা ৰমান-কেথলিক। কিন্তু তেওঁলোকে ৰমৰ পপৰ প্ৰভুত্ব নামানে; গ্ৰীক চৰ্চ্চৰ প্ৰভুত্ব হে মানে।

***



গ্ৰীচ তুৰ্কীৰ অধীনতাৰ শিকলি চিঙ্গি স্বাধীন হয় ১৮২৯ খৃষ্টাব্দত।

***

য়ুৰোপীয় সকলৰ ভিতৰত গ্ৰীকবোৰ মিতাহাৰী আৰু মিতাচাৰী। তেওঁলোকৰ আহাৰৰ ভিতৰত নিৰামহীয়া আহাৰ সৰহ।

***

গ্ৰীকৰ ভিতৰত কম বয়সত বিয়া কৰাটো বেছি প্ৰচলিত। তেওঁলোকৰ পৰিবাৰ ডাঙৰ হলে অৰ্থাৎ পৰিবাৰত মানুহ সৰহ হলে তেওঁলোকে গৌৰৱৰ কথা বুলি ভাবে।

***

সাথৰ।—দুটা মানুহৰ গাইপতি ৩০ টাকৈ সুমথিৰা টেঙা আছিল। দুয়ো টেঙাবোৰ হাটলৈ বেচিবলৈ আনি ওচৰাওচৰিকৈ বহিল। এটাই এক পইচাত দুটাকৈ আৰু আনটোৱে তিনটাকৈ বেচিবলৈ থিৰ কৰিলে। এটা কিনোতাই দুইৰো দুইপাচী সুমথিৰা অৰ্থাৎ ৬০টা একেলগে কিনি সিহঁত দুইকো একেলগে পাচোতাত দুপইচাকৈ দিলে। কিনোতাটোৱে টেঙাবোৰ লৈ গুচি গলত সিহঁত দুয়ো দেখিলে যে সিহঁতে সুকীয়াকৈ (এটাই এপইচাত তিনটাকৈ আৰু আনটোৱে পয়চাত দুটাকৈ বেচি যি পালে হেঁতেন,) তাতকৈ এতিয়া মুঠতে এপইচা কম হল। সিহঁতে তো ভাবি চিন্তি একো বুজিব নোৱাৰিলে। বাঁহীৰ পাঠক সকলে এই সাঁথৰটো ভাঙ্গি দিলে সিহঁতে মনত শান্তি পাব।

***

জৰ্ম্মাণ ভাষাৰ ভীষণতা সেই ভাষা শিকিবলৈ যোৱা সকলে জানে। দীঘলীয়া জৰ্ম্মাণ বাক্য এটাৰ ক্ৰিয়াপদটো বাক্যটোৰ অন্ততহে দেখা পোৱা যায়, আৰু তালৈ বাট চাই তাক পাইহে বাক্যটোৰ অৰ্থ বুজিব পাৰি। তুৰ্কী ভাষা আকৌ ইয়াৰ এখোপ ওপৰে যায়। আমাৰ পক্ষে এশাৰী তুৰ্কী বাক্যৰ অৰ্থ বুজিবলৈ হলে তাক অন্তৰ ফালৰপৰা ওলোটাই মাতিলেহে তাৰ অৰ্থ পামহঁক। ছাৰ চাৰ্লচ্ ইলিয়ট চাহাবে এশাৰী তুৰ্কী বাক্যৰ নমুনাৰ তৰ্জমা দিছে চোৱাঁ—"Capital and Varna between running Leoyed of Company of Vulcan Steamer on Srambeul to coming are we" শেহৰ ফালৰপৰা পঢ়ি যোৱাঁ, তেহে ইয়াৰ মানে পাবা।

***

মানুহৰ ভিতৰত লেখত লব লগীয়া কোনো শ্ৰেণী বিভাগ নাই; গুণাগুণৰ ফলত যি শ্ৰেণী হয় সেই হে প্ৰকৃত শ্ৰেণী বিভাগ। ৰজা মহাৰাজাই তোমাক খিটাব দিব পাৰে, বয় বস্তু দি ডাঙৰ কৰিব পাৰে, নানান নিয়ম কাৰণ উলিয়াই তাক পালন কৰিবলৈ তোমাক দ'খি কৰিব পাৰে; সেই সকলৰ মূৰ্খামী আৰু দুষ্ট বুদ্ধিৰ গুণত শঠ, প্ৰতাৰক আৰু নিতান্ত ভীৰুক, বিষয় বাবেৰে বিভূষিত কৰি তাঁহাতক বুদ্ধি আৰু গুণৰ আদৰ্শ কৰিব পাৰে কিন্তু দৰাচলতে ডাঙৰ গুণ নেথাকিলে কোনো কাৰো ডাঙৰ হব নোৱাৰে—বলিংব্ৰ'ক।—"প্ৰেম"।

***

যাক মানুহে সাধাৰণতঃ গুণ বুলি ধৰে সি একো গুণ নহয়। অৱস্থাপন্ন মানুহক কোনোৱে প্ৰশংসা কৰিলে বুজিব লাগিব যে সেই জনে ভাগ্যক হে প্ৰশংসা কৰিছে. কোনো গুণক নহয়। কব পাৰা কোনো স্বাৰ্থ সিদ্ধিৰ ই এটা ফন্দি; হলে ইও যে কিবা ভাল কথা সিও নহয়। মানুহে নিজৰ কামত মূৰ পুতি, মূৰ ঘুমাই যি সম্পত্তি আৰ্জে সিও দুৰ্ঘটনাৰ হাত সাৰিব নোৱাৰে। ইয়াকে বুদ্ধিৰ বলতকৈ ভাগ্যৰহে বল বেছি বুলি কয়। সেই কাৰণে বুদ্ধিতকৈ ভাগ্যৰহে পূজক সকলো। সংসাৰত ঠেতেলা খাই শিকি পোৱা এই জ্ঞানগৰ্ভ কথা—ৰবাট চাউথ্।—"প্ৰেম"।

***

মন দেহৰ নিচিনা ভীৰ থোৱা; যিমান পোনোৱা যায় সিমান বলী হয়—বেন জন্চন্।—"প্ৰেম"।

***

সোৰঁৰণী যুক্তিৰ পৰিদৰ্শক। ই এটা শক্তি, সি মনৰ আগত নানান ছবি দাঙি ধৰে যাক চাই আমি যেই সেই কথাৰ নিৰ্ণয় কৰিব পাৰোঁ। আগেয়ে কৰা কোনো এটা সৰুল আটোম-টোকাৰিকৈ ৰাখি আমাৰ ভবিষ্যত কি কৰ্ম্ম কৰিব লাগে তাক ঠিক কৰি লওঁ—জন্চন্।—"প্ৰেম"।

***

যিবোৰ কথাত আমি ৰং আনন্দ অনুভৱ কৰোঁ সেই ৰং আনন্দই আমাক সেই বোৰ কথা সদায় সোঁৰৰাই ৰাখিবলৈ সহায় কৰে। সেই কাৰণে আমি যি বোৰ কথা আমাৰ লৰা ছোৱালীএ মনত ৰাখিব লাগে বুলি ধৰোঁ সেইবোৰ কথা যিমান দূৰ হয় সিমান আনন্দদায়ক কৰি তাঁহাতক দিব লাগে। কিন্তু ইয়াৰ আগেয়ে



তাঁহাত কিমান প্ৰতিভাশালী আৰু কেনে প্ৰকৃতিৰ তাক ভালকৈ বুজি সুজি লোৱা আমাৰ উচিত। আমি যি উপদেশ তাঁহাতক দিব খোজোঁ সেই উপদেশ তাঁহাতৰ স্বাভাৱিক ইচ্ছানুযায়ী হয় নে নহয় সেইটোও বিশেষকৈ চাই লব লাগে—ওৱাট্‌চ।—"প্ৰেম"।

***

দয়াশীল লোকেই সুখী কাৰণ তেওঁবিলাকে যাৰে তাৰেপৰা দয়া আশা কৰিব পাৰে। যাৰ হিয়া শুদ্ধ তেওঁৰেই ঈশ্বৰৰ সাক্ষাৎ লভিব। নম্ৰগুণে পৃথিবী জয় কৰে। নিৰহঙ্কাৰীৰ স্বৰ্গলাভ—সেচাচ্।—"প্ৰেম"।*

সত্যভান্।

---

## জাৰ।

যদি—

প্ৰেমৰ নিজৰা হিয়াত শুকাল,
বান্ধৱৰ বান্ধোন গল,
প্ৰিয় প্ৰেমিকৰ, বুকুৰ বান্ধৰ,
আৰু নো কি বাকী বল?

ফটিকৰ পানীৰে পূৰ নৈখনি
নবলে ধুৱাই ভৰি;
ওলোমাই ভৰিটি কি কৰে পৰ্ব্বতে?
প্ৰাণটি যে গল উৰি!

বন্দুলীৰ পাহিটি বহীয়া পৰিল,
শেৱালীৰ উভিল গোন্ধ;
কি সুখ খাবলৈ বসন্ত থাকিব?
কিয় সি মিছাতে বন্ধ?

---

* সত্যভান চহাৰে "প্ৰেম" চিন দিয়া এই কেইটা প্ৰেমধৰ চলিহাই লেখা।

## বসন্ত।

মালতী ফুলিল, সেউতী উঠিল,
কেতেকী গা-ধুৰি দিলে;
সুৰীয়া কুলিয়ে গল কঁপাই গাই
বননিৰ বাতৰি দিলে।

বকুলে সিঁচিলে তৰা একোকণি,
মদাৰে খেলিলে ফাকু;
যুতী-ফুল-জুপি নিসাহ এৰিলে.
পহুমে মেলিলে চকু।

খুৰিত কৰবীৰে সাঁচিলে মৌটুপি,
ভূমিয়ে মেলিলে চম্পা;
চৰাই হালধীয়া মৌ মতলীয়া
উলটি কৰিলে কুপা।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

## বিলাতৰ কথা।

আকৌ আপোনাৰ ওচৰত "বিলাতৰ কথা" লৈ আমনি দিবলৈ হাজিৰ হলোঁহি।

মিচেচ্ মল্লিকৰ তাত সাত আঠ দিন মান থাকি হাইগেটৰ মিষ্টৰ স্পীয়েৰ্চৰ তালৈ গলোঁ। এই সাত আঠ দিন বৰ ৰঙেৰে খেদাইছিলোঁ। এনে কি আজি যাম কালি যাম বুলি মিষ্টৰ স্পীয়েৰ্চৰ তালৈ যোৱাৰ দিন পিছু হোঁহকাইছিলোঁ। অৰ্থাৎ মিচেচ্ মল্লিক পৰিয়াল আমাৰ দেশী মানুহ, মিষ্টৰ স্পীয়েৰ্চ পৰিয়াল অচিনাকী; এৰি যাবলৈ বেয়া লাগিছিল। এদিন সন্ধ্যাবেলিকা মিষ্টৰ স্পীয়েৰ্চৰ তালৈ মিঃ শিশিৰ মল্লিকৰ লগত গলোঁ। তাৰ আগেয়েই মোৰ বস্তুবোৰ Carter Patersonৰ



হতুৱাই পঠিয়াই দিছিলোঁ। বিলাতত এনেবোৰ মানুহ আছে যাৰ কাম কেৱল বস্তু কঢ়িউৱা। তাত ভো চাকৰনাকৰৰ বেছি গোলমাল নাই। বস্তু এঠাইৰপৰা আন ঠাইলৈ নিবলৈ হলে এইবোৰ মানুহৰ সাহায্য লোৱা হয়। লণ্ডনত সিইতৰ গাড়ী চলিবই লাগিছে। মনে কৰক লণ্ডনতে তিনি চাৰিঘৰ এনে কোম্পানীৰ বিষয় মই জানোঁ—Carter Paterson, Pickford & Co., London Parcels Delivery Co., ইত্যাদি। লণ্ডনৰ ঠাইয়ে ঠাইয়ে কোনো কোনো দোকানত খবৰ দিলেই এইবোৰ কোম্পানীৰ গাড়ীয়ে ঘৰলৈ আহি বস্তু লই যাব। আৰু নতুবা মানুহৰ নিজৰ ঘৰৰ চিচাৰ খিলিকিত এখন কাৰ্ড লগাই থৈ দিলেও হয়। Carter Patersonক লাগিলে C P. বুলি লেখি থোৱা এখন কাৰ্ড থৈ দিলে সেই কোম্পানীৰ গাড়ীয়ে সেই কালে দি গলেই তাতে থই গাৰোৱান সোমাই সুধি যাব আৰু বস্তুটোও লৈ যাব। ই বৰ সুবিধা জনক। অলপ পইচাতে হয় আৰু বেছি গোলমালো নাই। ৰাতি পুৱা বস্তুটো দিলে লণ্ডনৰ ইমুৰৰপৰা সিমুৰলৈকে সন্ধিয়াবেলিকা লৈ যাব। এটা বাকচ হয় তো চাৰি অনা কি ছয় অনাতে লৈ যাব। আমিও সেই দৰে Carter Patersonৰ হাতত আমাৰ বস্তু বাহানি দি অক্টোবৰ মাহৰ ১৬ কি ১৭ তাৰিখৰ দিনা হাইগেট মুৱা হলোঁ। মোৰ যিমান দূৰ মনত আছে Bayswaterৰ (বেজ্ওয়াটাৰ) Westbourne Park (ওয়েষ্টবোৰ্ণ পাৰ্ক) কি Queen's Road (কুইন্স্ ৰোড) ষ্টেশ্যনৰপৰা মাটীৰ তলৰ ৰেল ল'লোঁ। তেতিয়া সাধাৰণ ইঞ্জিনৰ ৰেলেৰেই মাটীৰ তলত চলিছিল—আজি কালি ইলেক্‌ট্ৰিক হৈছে। গাওয়াৰ ষ্ট্ৰীটত (Gower Street) নামিলোঁহি। এই Gower streetতে লণ্ডনৰ University College (ইউনিভাৰসিটি কলেজ)। দুই মিনিট মান Easton Roadএ (ইউষ্টন্ ৰোড) দি খোজ কাঢ়ি ঘোঁড়াই টনা ট্ৰেম্ কি অম্নিবাচ্ ললোঁ। ছপেনীৰ টিকিট লৈ Archway Taverns (আৰ্চওয়ে টেভাৰ্ণ) আহি নামিলোঁ। ইংৰাজ বিলাকে ফটিকা জাৰ দেখি থায়। আমি যেনেকৈ এখন মান তামোলৰপৰ বুলি খোজ কঢ়াৰ দূৰত্ব অনুমান কৰোঁ, ইংৰাজ বিলাকে লণ্ডনত অম্নিবাচ্ কি ট্ৰেমৰ ষ্টেশ্যনকে কওক কি মাত্ৰাকে কওক এনে Tavern অথবা পৱলিক্ হাউচেৰে অনুমান কৰে। এই আৰ্চওয়ে টেভাৰ্ণ হাইগেট্ হিলৰ পদমূলত। "হিল্" বুলিলে পৰ্ব্বত বুলি ভাবিব নেলাগে। ইংলণ্ডত অলপ সৰু ওখ ঠাইকে "হিল্" বুলি কয়

যদিও হাইগেট্ হিল্ বেছি ওখ। আমি যি ঘৰলৈ যাবলৈ ওলাইছোঁ সেই ঘৰ এই ওখ ঠাইতে।

বেভাৰেণ্ড্ মিষ্টৰ স্পীয়ের্চ হাইগেট হিলৰ ইউনিটেৰিয়ান্ গির্জ্জাৰ পাদ্বুৰী আছিল। এওঁ ৺কেশৱচন্দ্র সেনৰ বন্ধু। ব্রহ্মানন্দ কেশবচন্দ্র যেতিয়া বিলাতত আছিল এওঁৰ লগতে আছিল। খ্রীষ্টিয় ধর্ম্মৰ ইউনিটেৰিয়ান্ শাখা ব্রাহ্ম ধর্ম্মৰে সৈতে অলপ মিল আছে। সাতটা মান বজাত তেওঁলোকৰ ঘৰ পালোঁ গৈ। সেই ঘৰৰ নাম এৰাণ্ডেল্ হাউচ্ (Arundel House)। আমি গৈ পাওঁতেই দুৱাৰত টকাটক্ "নক্" কৰিলোঁ। বিলাতত প্রত্যেক ঘৰৰ দুৱাৰ বন্ধ থাকে। সেই দুৱাৰৰ গাত সৰু এডোখৰ লোহাৰ মাৰি থাকে তাক "নকাৰ" কয়। কোনো কোনো ঘৰত আকৌ নকাৰৰ লগে লগে ঘণ্টা বজোৱাৰ বন্দবস্তও থাকে। এই নকাৰ আৰু ঘণ্টা বজোৱাৰ অলপ নিয়মো আছে। "নকাৰ" এবাৰ বজালে দোকানদাৰ আহিছে বুলি গিৰিহঁতে বুজিব। এবাৰ ডাঙৰকৈ আৰু এবাৰ তাৰ লগতে ঘনাই সৰুকৈ বজালে ডাকোৱাল। দুবাৰ ডাঙৰকৈ বজালে টেলিগ্রাফ পিয়ন। ডাক্তৰ ইত্যাদি আহিলে "নকাৰ" অ রু ঘণ্টা প্রায়ে একেলগে বজায়। কোনো কোনো ঘৰত "নকাৰ" নেথাকে কেৱল মাথোন্ ঘণ্টা থাকে।

এই হাইগেট হিলৰ তলতে হুইটিংটনে শিল এডোখৰত বহি ভাগৰ পলুৱাওঁতে গির্জ্জাৰ ঘণ্টাত তেওঁৰ ভবিষ্যত মাহাত্ম্য শ্রবণ কৰিছিল। হুইটিংটনৰ জীৱনৰ কাহিনী বোধ কৰোঁ আটায়ে জানে। তেওঁৰ লণ্ডন এৰি যাব খোজাত গির্জ্জাৰ ঘণ্টাৰপৰা এই উৎসাহবাণী শুনি আকৌ লণ্ডনলৈ উভতি গল "Turn away, turn away, Whittington, turn away thrice Lord mayor of London" অর্থাৎ হুইটিংটন উভতি আহাঁ, তিনিবাৰ লণ্ডনৰ লর্ড মেয়ৰ হুইটিংটন্ উভতি আহাঁ। এই ঘণ্টাত এনে উৎসাহ বাণী শুনাটো মিছাও হব পাৰে। কিন্তু ই কথা সঁচা যে হুইটিংটনে ভবিষ্যতত তিনি বাৰ লর্ড মেয়ৰ হৈছিল। এই উৎসাহ বাণী তেওঁ তেওঁৰ কল্পনা ৰাজ্যৰ পৰাও শুনা হব পাৰে। যেতিয়া তেওঁ ডাঙৰ মানুহ হৈ সঁচাকৈয়ে মেন্‌শ্যন হাউচৰ অধিপতি হৈ লণ্ডন চহৰৰ প্রধান পদবী লর্ড মেয়ৰ পালে তেতিয়া বোধ কৰোঁ তেওঁৰ কাহিনী লেখকেও কল্পনা ৰাজ্যৰ পৰা ভাব আনি এই গির্জ্জা ঘণ্টাক মাত মাতিবলৈ শিকালে। কিয়নো গির্জ্জাৰ ঘণ্টাৰ কথা কোৱা আমাৰ সাধু কথাৰ দৰে লাগে। এই হাইগেট্ হিলৰ তলত



এ ডোখৰ শিলৰ ওপৰত (আমাৰ ইয়াৰ মাইল পোষ্টৰ দৰে) ডিক্ হুইটিংটনে তাৰে ওচৰৰপৰা গির্জ্জাৰ ঘণ্টাৰ মাত শুনিছিল বুলি লেখা আছে।

হাইগেট্ লণ্ডনৰ উত্তৰ অংশৰ এটি উপনগৰ। ই স্বাস্থ্যকৰ ঠাই বুলি মানুহে কয়। ইয়াৰ ওচৰতে সাহিত্যিক কোল্‌ৰিজ আছিল। দ্বিতীয় চার্লচৰ সময়ত হাইগেট এখন সুন্দৰ গাঁও আছিল। আচল লণ্ডনৰ সৈতে তিমান সম্পর্ক নাছিল। এই বঙ্গীয়াল ৰজাৰ প্রণয়নী বিখ্যাত নেলগুইন্ হাইগেটত আছিল। ক্রমওৱেলো ইয়াত কিছু দিন আছিল। নেল্‌গুইনৰ ঘৰ Arundel Houseৰপৰা বেছ দেখা যায়—বাটৰ ইপাৰ আৰু সিপাৰ। এই ঘৰ এতিয়া Waterlow Parkৰ ভিতৰত পৰিছে। নেল্‌গুইনৰ ঘৰতে (অৱশ্যে একে লগে নহয়) কোনো এসময়ত আর্চ বিশ্যপ লড ও (Laud) আছিল।

স্পীয়ের্চ পৰিয়ালে আমাৰ দুইকো আদৰ অভ্যর্থনা কৰি তেওঁলোকৰ খোৱা খোটালীলৈ (dining room) লৈ গৈ চাহ পানী ইত্যাদি খুৱাই আমাৰ পৰিশ্রমৰ লাঘৱ কৰিলে। মই এতিয়া ১৮৯৫ চনৰ কথা লেখিছোঁ। সেই খিনি সময়ত স্পীয়ের্চ পৰিয়ালৰ একে ঘৰতে এই কেই জন মানুহ আছিল। মিঃ স্পীয়ের্চ ৬৫।৭০ বছৰীয়া বুঢ়া, তেওঁৰ সহধর্ম্মিনী, তেওঁৰ তিনি জনী জীয়েক আৰু এটা ল্ৰা। আৰু এটা জীয়েক সেই খিনি সময়ত লণ্ডনৰ বি, এ মহলা দি অটাই কি সেই মহলা দিবলৈ সাজু হৈ ওৱেল্‌চৰ (wales) এবাৰিষ্টউইথ (Aberystwith) কলেজত পঢ়িছিল। আৰু ডাঙৰ ল্ৰাটো লণ্ডনৰ আৰু এটা উপনগৰতে বিয়াবাৰু কৰাই ডাক্তৰী ব্যৱসায় চলাইছিল। বিলাতত বিয়া কৰালেই বেলেগে থাকে এই ডাঙৰ ল্ৰাটিও সেই দেখি বেলেগে আছিল। সৰু ল্ৰাটো মোৰে সমবয়সীয়া। ডাঙৰ জীয়েকে লণ্ডনৰ মেট্রিকুলেশ্যনপৰীক্ষা পাচ কৰি দুই ভনীয়েকৰ সৈতে সেই ঘৰৰ লগালগি এটি ঘৰত এটা Preparatory স্কুল পাতি টকা উপার্জ্জন কৰিছিল। এই পৰিয়ালৰ বিষয় আৰু লাহে লাহে আপোনাসকলে জানি থাকিব আজি আৰু ইমানতে।

——

# ৰজাঘৰীয়া পুৰনি চিঠি।

(৮)

১৫৮৪ শকত মিৰজুমলাই আমাৰ দেশ লবাৰ পাচত জয়ন্তাৰ ৰজাই আমাৰ সৰ্গদেও জয়ধ্বজ সিংহলৈ বাৰ্ত্তা লবৰ নিমিত্তে এখন চিঠি পঠাইছিল। জয়ন্তাৰ উকীল আহি মছলমানৰ হাতত পৰাত উকীলক মছলমানে কাটি পেলালে। উকীলৰ লগৰ এক চাকৰ এৰাই আহি সেই কথা আমাৰ সৰ্গদেওক জনালেহি। সৰ্গদেৱে এই কথাত বৰ বেজাৰ পাই, জয়ন্তাৰ ৰজালৈ তলত লিখা চিঠিখন পঠাইছিল। এই চিঠি আমাৰ কটকী কোমাৰাখোৱাৰ ভায়েক আৰু দৈয়ঙীয়া বড়াই নিছিল।

"অথ সমাচাৰ সহিতে পত্ৰ। এথাত আমাৰ কুশল। সমস্তে কুশল। ৰাজা লাণ্টাস্থলতানৰ কুশল নিৰন্তৰে চাহি। তুমি যি উকীল পঠালা সিতো আসি বঙ্গালত পৰিল। তাৰ এক চাকৰ আসি আমাত তোমাৰ বাৰ্ত্তা জনালে; তাক শুনি আমি পৰম সন্তোষ লভিলো। আউৰ তোমাৰ আমাৰ পূৰ্ব্ব ধৰি যি হেতু মিত্ৰৱতি, এই নিমিত্তে তুমি আমাৰ বাৰ্ত্তা ললা। ইহাত আমাৰ আনন্দ। আউৰ তোমাৰ উকীল বঙ্গালত পৰিল, ইহাক শুনি আমি বৰ অসন্তোষ পাইলো। কিন্তু যি হেতু আমাৰ বিপদ কাল এই নিমিত্তে সে তোমাৰ উকীলৰ এমত হৈল। ইহাত কিছু দুখ মনে নকৰিবা। ইদানিক তোমাৰ যেমনে বাৰ্ত্তা পাই থাকো এমতথানি কৰিবা। আৰ তোমাক লাগি সন্দেশ, পাটকাপোৰ ১ থান, গঙ্ক ৮টা, গাঠিয়হ ১ মোনা, কটাৰী ৫ খান, শক ১৫৮৪, তাৰিখ ৬, মাস চৈত্ৰ।"

এই চিঠি যাতে সুকলমে গৈ জয়ন্তাৰ ৰজা লাণ্টাস্থলতানৰ হাতত পৰে গৈ, তাৰ নিমিত্তে, আমাৰ সেই কটকীৰ হাততে নৰ্ত্তঙ্গিয়া ৰজালৈকো এই চিঠি দিয়া হল।

(৯)

"পৰং লাণ্টাস্থলতান ৰাজাৰে আমাৰে পূৰ্ব্ব ধৰি প্ৰীতি গোট ৰহিছি; এই কাৰণে তাৰ এক উকীল আমাৰ ঠাই পঠাইছিলে" আমাৰো উকীল পত্ৰ তাৰ ঠাইক পঠাইছি। সি যেমনে কুশল অবিঘ্নে সি ঠাই পহুছে তুমি তেমন থানি কৰিবা। আৰু সন্দেশ, পাট কাপোৰ ১ থান, কটাৰী ৪ খান, গাঙ্ক ৪টা। শক ১৫৮৪ তাৰিখ ৬, মাস চৈত্ৰ।"



এই দুখনৰ আগৰ খন চিঠি জয়ন্তাৰ ৰজা লাণ্টাস্থলতানলৈ লিখা হৈছে আৰু পিচৰ খন নৰ্ত্তঙ্গিয়া ৰজালে লিখা হৈছে। এই নৰ্ত্তঙ্গিয়া ৰজা জনৰ নাম মানসিংহ আছিল আৰু তেওঁকো মাজে মাজে জয়ন্তাৰ ৰজা বোলা দেখা যায়। জয়ন্তাৰ ৰজাই নৰ্ত্তঙ্গিয়া ৰজাক "ভাই ৰজা" বোলে আৰু বুৰঞ্জীত নৰ্ত্তঙ্গিয়া ৰজাক "জয়ন্তা ৰজাৰ অনুবৰ্ত্তী" বোলা হৈছে। নৰ্ত্তঙ্গিয়া ৰজালৈ দিয়াৰ চিঠিৰপৰা দেখা যায় যে নৰ্ত্তঙ্গীয়া ৰজাৰ দেশ জয়ন্তালৈ যাওঁতে বাটতে পৰে। আমি জানো জয়ন্তালৈ যোৱা বাট খৈৰামী ৰজাৰ দেশৰ মাজে অৰ্থাৎ আজি কালিৰ খাচীয়া পৰ্ব্বতে দি আছিল এতিয়াও এজন খাচীয়া ৰজাৰ ঘৰ নংক্ৰেমতে আছে। সকলোবোৰ কথা বিচাৰি চালে—এনে মনে ধৰে যে এতিয়াৰ "নংক্ৰেমেই" আগৰ "নৰ্ত্তঙ্গ" আৰু তেতিয়া খৈৰামৰ ৰজা, জয়ন্তাৰ ৰজাৰ কৈফৰে এজন আছিল।

জয়ন্তাৰ লাণ্টাস্থলতান ৰাজাই আমাৰ ৰজাৰ পৰা ওপৰত দিয়া চিঠিখন পাই তাৰ উত্তৰত এই চিঠি দিয়ে :—

"স্বস্তি সমস্ত প্ৰশস্তক্ৰিয়াচৰণাচাৰ পবিত্ৰচৰিত্ৰ শৌৰ্য্য-ধৈৰ্য্যোদাৰ্য্যমৰ্য্যাদা-গম্ভীৰ-পাৰাবাৰ ভুবনোত্তমভাবুকভৱন কুলকৈৰৱপালনপাৰ্ব্বণশাৰদশশধৰ গঙ্গাধৰ হিমহিণ্ডীৰপিণ্ডপাণ্ডুৰযশপৰিপুৰিতদিগান্তৰ কমলামলাদিবৃন্দাৰকবৃন্দবন্দনীয় মুকুন্দ-পদসৰোজমধুব্ৰত ত্ৰিবিক্ৰমোদ্দমেৰামপাদাঙ্গুষ্ঠনখশিখৰখণ্ডিতব্ৰহ্মাণ্ডবিৱৰনিঃ-শৰৎসৰদমৃতকৰ সুৰবাহিনীতোয়শৰীৰ সৌমাৰধৰণীমণ্ডলাখণ্ডল শ্ৰীশ্ৰীমহাৰাজ স্বৰ্গদেৱনাৰায়ণ প্ৰচণ্ডপ্ৰতাপচৰিত্ৰবিচিত্ৰগুণসমূহেষু।"

"পৰম সৌহাৰ্দ্দ লিখনং কাৰ্য্যঞ্চ। এথা কুশল! তোমাৰ ৰাজোন্নতি কুশল মঙ্গল সদা বাঞ্চি। পৰং তোমাৰ লিখা পত্ৰ আসি পহুছিল; সমাচাৰ পৰম প্ৰীতে জানিলাম আৰু তোমাৰ কটকীৰ প্ৰমুখে বাৰ্ত্তা শুনিয়া সন্তুষ্ট হৈলাম। অতঃপৰ মধ্যে শুনিলাম, মোগলে আসিয়া তোমাৰ ৰাজ্য মাৰিল। এ সকল বাৰ্ত্তা আমাৰে নাদিলা। কতো দিন পৰ আমি বাৰ্ত্তা পায়া গোভাৰ ৰামাই দলৈ ও নীৰৈ তোমাৰ থানে পঠাইলাম, বাৰ্ত্তা লৈবাৰ; কিছু পত্ৰ সন্দেশ দিছিলাম আৰ পত্ৰ লেখি দিছিলাম, তুমি প্ৰত্যুত্তৰ যি লেখ, সেই অনুসাৰে কাৰ্য্য কৰিম; তাতে তোমাৰ কৰ্ম্মাইৰ লোকে, সেই মনুষ্য আমাৰ প্ৰয়োজন, মোগলেৰ সাতে বান্ধিয়া দিলা কি মাৰিলা এবং নিৰ্ণয় নাপাইলাম। আৰু সন্দেশ তোমাৰ স্থানে পহুছিল এবে নাজানিলাম; এবে বিচাৰ কৰিবা। এতদিন সেই পত্ৰেৰ প্ৰতি উত্তৰে আনিব

কৰিয়া জানিছিলাম। এখন নিষ্ঠা বুজিয়া তোমাৰ কটকীও বিদায় কৰিলাম। আমাৰ কটকী ৰামাইকে পাঠাইতেছি। আপোনাৰ কুশল মঙ্গল বাৰ্ত্তা বিবেচিয়া সকল লিখিয়া ততকাল কটকী পঠাইবা। জয়ন্তা আৰু গড়গাঞো দুই নাহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে; আমাৰ মনে এমন দুখ লাগিছে। ততঃপৰ বহুত মন দুক্ষে আছি। তোমাৰ প্ৰত্যুত্তৰ আইলেসে চিত্ত নিবৃত্তি হয়। আৰ তোমাৰ আমাৰ প্ৰীতি নবিন নাহয়; পূৰ্ব্বাবধি চলিয়া আসিতেছে; বিশেষতঃ অধিক ও অধিক হৈবাৰ ক্ৰম হেন চিহ্ন। তাতে এমত পৰিপক্ক হৈল। অতঃপৰ তুমি কুশলে আছ; ৰাজ্য কুশলে আছে। পৰং এমত সময়তে তোমাৰ প্ৰত্যুত্তৰ নপাইলাম; হুকুম নাকৰিলাম, এইটা মন দুখ ৰহিল সময় পৰিলে যদি অত্যন্ত সহাই নাহৈব তবে প্ৰীতেৰ কাৰণ কি। অতঃপৰ যা হৈবাৰ আছিল, সে হৈল; এখন যেমতে দিন দিন অধিক প্ৰীত হয় তাক কৰিবায়। বাকী সমাচাৰ কটকী সকলে কহিবেক। আৰ বঙ্গালে থানিক ৰাজ্যক পীড়া কৰিল এই মাত্ৰ। মাটিক নিবাক নপাৰিল। সেই দেশ, সেই লোক সকল আছে; তুমি আপনে কুশলে আছ। অখন এমত কাৰ্য্য কৰ তুমি আমি এক প্ৰীত হৈয়া যেমনে বঙ্গালৰ দাদ লৈবাৰ পাৰি তাকে কৰ। গৰিয়াএ যেমত কৰিছে যদি তেমত দাদ পাই, তেবেসে আমাৰ সন্তোষ হয়; মন দুখ যায়। এতেকে যেমত তোমাৰ চিত্তেত ভাল প্ৰতিবাসে তাবে লেখিবা; এতকাল আৰো সময় এই; আত যেটা কৰনা হয় ততকাল লেখিবা। আৰ পত্ৰ সন্দেশ, সাৰ কাপৰ ৪ থন, খাসা ৩ থন, সুতাৰ কাপৰ ১০ থন, এতেৰ থানজায় আদ ভাই ৪থন, ধড়া ৩থন, গজিখাসাতেৰ ২০ বাকী সমাচাৰ তোমাৰ দুই কটকী ও ৰামাই প্ৰমুখে জ্ঞাত হৈবা। কিমধিকং বিজ্ঞেষু। ইতি শক ১৫৮৫, মাস জৈষ্ঠ।"

নৰ্ত্তঙ্গৰ ৰজা মানসিংহে ওপৰত লিখা চিঠিৰ উত্তৰত ১৫৮৫ শকত তলত দিয়া চিঠিখন আমাৰ ৰজাই লিখে।

"পৰম সৌহাৰ্দ্দ লিখনং কাৰ্য্যঞ্চ। এথাত আমাৰ সমস্তে কুশল; তোমাৰ ৰাজোন্নতি কুশল মঙ্গল সৰ্ব্বদা বাঞ্চা কৰি। পৰং তোমাৰ লিখন পত্ৰ আসিয়া পহুছিল। পৰম সাদৰে শুনিয়া বড় সন্তোষ হৈলাম কিন্তু যেমত মন দুখী আছিল তেমতে তোমাৰ স্বস্থ বাৰ্ত্তা পায়া পৰম সন্তোষ হৈলাম কিন্তু আমাৰ দুইজন মনুষ্য বঙ্গালত পৰিল, এৰাৰণ তুমি লেখিয়াছিলায়। দুইজনেৰ কি কাৰ্য্য, তোমাৰ



কাৰ্য্যেৰ নিমিত্তে যদি দশ বিশ হাজাৰ লোক পৰিল, তথাপি আমাৰ অসন্তোষ নাছিল। আমাৰ লোক যে তোমাৰ কাৰ্য্যত নাহিল ই কাৰণেসে আমাৰ মনত অসন্তোষ হৈল, আমি এমত জানি; তোমাৰ সহিত আমাৰ অচল সুহৃদ অভেদ প্ৰীতিত সকল দিন তোমাৰ অধিক, আত তোমাৰ ভেদ নাই; আৰ তোমাৰ চিত্তে আমৰাও এমত থান লৈছি হেন জানিলাম। অন্যোন্য হৃদয় শুদ্ধি থাকিলে, দূৰেও সন্নিহিত এমন চিত্তে লয় যেন। যো যস্য মিত্ৰং সুহি তস্য দূৰমিতি। অতএব এমত থান জানিয়া যে সময়ে যে কাৰ্য্য উচিত হয়, সে বাৰ্ত্তা পঠাইবাই, সেই কাৰ্য্য আমি কৰিম। আৰ গৰগাঞো জয়ন্তি দুই নাহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশ মাৰিছে, আমাৰ মনে এমন থান দুখ লাগিছে। মনুষ্য পঠাইলাম বাৰ্ত্তা জানিবাক, তাতে পথতে এমন পৰিপক্ক হৈল, বাৰ্ত্তা নাপাইলাম। তোমাৰ দেশ বঙ্গালে মাৰিল আমি বসি আছিলাম, হুকুম না কৰিলাম, দশ বিশ হাজাৰ লোক আমাৰ গৈয়া না পৰিল, ই থান সে আমাৰ চিত্তে অধিক দুখ লাগিছে। আৰ বঙ্গালৰ প্ৰাণ শক্তি যে আছিল তাকে কৰিল। যেমতে কৰ্ম্ম কৰিছিল, তেমতে ঈশ্বৰে তাৰে পাত কৰিলা। অখন বঙ্গালে যেমত কৰিচে, তেমত তাৰ প্ৰতিফল পায় তাবে সে ভাল। তোমাৰ আমাৰ কুশতিল এক যুক্তি হয়া এই সময়তে যেমতে দাদণি লৈবাৰ পাৰি তাৰ সালা কৰিয়া সময় দড়ায়া, প্ৰত্যুত্তৰ লেখিয়া, কটকী ততকাল পঠাইবায়। এখন সময়তে তোমাৰ সাত না দিলাম আমি এই দুখে লজ্জিত হয়াছি। এতে জানিছিলাম, যে কিছু অসন্তোষ বিদ লেখিবায় হেন। তাতে আৰু আমাৰ দুইজন মনুষ্য বঙ্গালেত পৰিল, তাৰ কাৰণ এমত সুমৰ্য্যাদা লেখিছে এতে তোমাৰ ৰাজনীতিৰ গম্ভিৰতা না ৰহিল। দুইজনেৰ কি কাৰণে, এমত দুই লক্ষ তোমাৰ গৌৰবেৰ তুল্য না হয় মাত্ৰ; তোমাৰ অধিক মৰ্য্যাদাএ বহুত আৰু লজ্জিত হৈলাম। কি কাৰণ সুটিৰ হয়া যে কুটুম্বেৰ সহিতে পৰাক্ৰম শুনিয়া ঘৰতে থাকন অতপ্পৰ ধিকাৰ নাই। এতেকে কোন দিন শত্ৰু নিৰ্য্যাতন কৰিবা যদি, এইবাৰ ওপৰ কৰিবাক পাৰি তবেসে আমাৰ ই লজ্জা যায়। আৰু বিশেষ কি লেখিম মাত্ৰ তোমাৰ মনে যেমত ভাল প্ৰতিবাসে তাৰ প্ৰত্যুত্তৰ ততকাল লেখিবায়। কিমাধিকং বিজ্ঞেষু। ইতি শক ১৫৮৫। তাং ১০ জ্যৈষ্ঠ মাস।"

যেতিয়া জয়ন্তাৰ ৰজা আৰু নৰ্ত্তঙ্গীয়া ৰজাৰ ওপৰত দিয়া চিঠি দুখন ভাদৰ ১১ দিন যোৱাত আহি পালহি তেতিয়া সৰ্গদেও জয়ধ্বজ সিংহ বকতাত আছিল

আৰু এই চিঠি ২খন বকতাৰ ৰাজসভাতে পঢ়া হয়। আমাৰ ৰজালৈ আন দেশৰ ৰজাৰ চিঠি আহিলে সদাই "পঞ্চপত্ৰ" অহা দস্তুৰ আছিল অৰ্থাৎ অকল ৰজাৰ নামেই এখন চিঠি আহিলে, সেইটো বৰ অপমানৰ কথা আছিল। এই "পঞ্চপত্ৰ" এখন সৰ্গদেওৰ নিজ নামে, এখন বৰ ফুকনৰ নামে আৰু বাকী তিনিখন তিনিজনা ডাঙৰীয়াৰ নামে। বৰফুকন আৰু ডাঙৰীয়াসকললৈ দিয়া চিঠিবিলাকত সংক্ষেপ কৈ এক্কে কথাই আছিল আৰু সেইবিলাকক "কোল পত্ৰ" বোলা হৈছিল। আমাৰ ৰজাই কিন্তু আন ৰজালৈ এখনহে মাত্ৰ চিঠি দিছিল; ওপৰত দিয়া বিষয়া কেইজনে গাইপতি বেলেগে চিঠি দিছিল। এই দস্তুৰ অনেক দিনৰপৰা চলি আহিছিল। পিছে জয়ন্তাৰ উকীল ৰামায়ে সৰ্গদেৱত জনালে বোলে জয়ন্তাৰ ৰজা লাণ্টাসুলতানে কব দিছে যে এতিয়াৰপৰা জয়ন্তাৰ ৰজাই পঞ্চপত্ৰ নিদি, কেৱল সৰ্গদেৱৰ নামে এখন পত্ৰহে নিজে দিব খুজিছে আৰু সৰ্গদেৱৰ পাত্ৰমন্ত্ৰীসকললৈ দিবলগীয়া চিঠি তেখেতৰ পাত্ৰমন্ত্ৰীসকলে হে দিব, ৰজাই নিদিয়ে আৰু সৰ্গদেৱৰ পাত্ৰমন্ত্ৰী-সকলেও যেন আগলৈ জয়ন্তাৰজাৰ পাত্ৰ মন্ত্ৰীলৈ হে চিঠি দিয়ে,ৰজাৰ নামে নিদিয়ে। জয়ন্তাৰ কটকীৰ এই কথা শুনি সৰ্গদেও জয়ধ্বজ সিংহ খঙতে জলজলাই উঠিল আৰু এই দৰে কলে "ওপৰ যি ৰাজা সকলে ইঠাইলৈ উকীল পত্ৰ পঠাইছিল, সি সবে জানো ইঠাইক নাজানিলে; সিবোৰত কৰিনো কোন কাৰ্য্য কাম বঢ়াই কৰিছে, তাৰ নিমিত্তে পূৰ্ব্ব ধাৰণ ছাৰিবলৈ বুলি পঠায়। ই গোট প্ৰীতিক ভাঙ্গিছে বুলিলে।" সৰ্গদেওৰ খঙ উঠা দেখি ৰজাৰ শহৰ ৰাজমন্ত্ৰীয়ে সৰ্গদেৱক বুজাই কলে, যে এই কথা জয়ন্তাৰ লাণ্টাসুলতানৰ কথা নহবও পাৰে, কিয়নো, ৰজাৰ তেনে মত হোৱা হলে, সেই কথা চিঠিতে লেখিব পাৰিলেহেঁতেন, এতেকে এইবোৰ কথা উকীলেও জোৰা দি কব পাৰে। সেই কোৱাত সৰ্গদেৱে ৰামাই উকীলক ৰাজসভাৰ পৰা গঁতিয়াই উলিয়াই খেদোৱালে। ইয়াৰ অলপ দিনৰ পাছতে জয়ধ্বজ সিংহ মহৰাজ স্বৰ্গী হল আৰু ওপৰত দিয়া চিঠিৰ উত্তৰ সৰ্গদেও চক্ৰধ্বজ সিংহইহে দিবলৈ পায়।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---



# মন্দাকিনী।

সিদিনা কোনো শব্দ এটাৰ অৰ্থ চাবলৈ "শব্দাৰ্থ মুক্তাবলী" নমেৰে বঙ্গলা অভিধান এখনৰ পাত লুটিয়াওতে "স্বৰ্ণদী" শব্দটো চকুত পৰে। তাৰ অৰ্থ লেখা আছে—মন্দাকিনী, গঙ্গা; বৃশ্চিকালী; সিতগঙ্গা, কামাখ্যাৰ পূৰ্ব্বভাগে দিক্কৰ বাসিনীৰ প্ৰান্তেস্থিতা। এই অভিধানতেই পোৱা যায়—

| | | |
|---|---|---|
| আকাশ গঙ্গা | শব্দৰ অৰ্থ | স্বৰ্গগঙ্গা, স্বৰ্ধুনী, স্বৰ্ণদী, বিয়দ্গঙ্গা, সুৰদীৰ্ঘিকা। |
| খগঙ্গা | " | মন্দাকিনী, বিয়দ্গঙ্গা। |
| ত্ৰিদশদীৰ্ঘিকা | " | স্বৰ্গঙ্গা। |
| ত্ৰিদশ নদী | " | স্বৰ্ণদী। |
| দেবভূতি | " | মন্দাকিনী, স্বৰ্গগঙ্গা। |
| বিয়দ্গঙ্গা | " | স্বৰ্গগঙ্গা, মন্দাকিনী। |
| বৃশ্চিকালী | " | স্বৰ্ণদী, আৰু আন আন। |
| মন্দাকিনী | " | বিয়দ্গঙ্গা, স্বৰ্ণদী, সুৰদীৰ্ঘিকা, স্বৰ্গঙ্গা, দেবভূতি, স্বৰ্ণপদ্মা, সুৰেশ্বৰী, স্বৰ্ধুনী। |
| সিদ্ধগঙ্গা | " | মন্দাকিনী, স্বৰ্গঙ্গা। |
| সুৰাপগা | " | গঙ্গা। |
| সুৰেশ্বৰী | " | স্বৰ্গগঙ্গা। |
| স্বৰ্গঙ্গা | " | মন্দাকিনী। |
| স্বৰ্ণ পদ্মা | " | স্বৰ্গঙ্গা, মন্দাকিনী। |
| স্বৰ্ণদী | " | স্বৰ্গঙ্গা, মন্দাকিনী। |

তেন্তে এই অভিধান মতে, কামৰূপৰ দিক্কৰ বাসিনীৰ ওচৰে বৈ গোৱা এখন নৈয়েই যে মন্দাকিনী, ইয়াত একো সন্দেহ নাথাকে দেখোঁ।

শ্ৰীৰজনীকুমাৰ দাস।

---

## মুক্তিৰ পথ।

কৰ্ম্মফল অমুক্ত আত্মাৰ
সংসাৰ অৰণ্য বাস ;

সমাচ্ছন্ন ঘোৰ আন্ধাৰৰ
কুঁৱলীৰে জীৱাকাশ।

অবিদ্যাই নিজাপী ঘৰৰ
নিয়ে সোঁৱৰণি হৰি ;

মৰীচিকা চিনিব নোৱাৰি,
ফুৰে বদ্ধ জীৱ লৰি।

দূৰ হয় যিমানে বিচাৰে
শান্তিৰ আলোক ৰেখা ;

ছায়াটিকো সুখ সন্তোষৰ
চকুৰে নাপায় দেখা।

কিন্তু যেবে কৰ্ম্মফল শেষ,
জিলিকে শান্তিৰ হাঁহি ;

তুলি লয় "আহাঁ পুত্ৰ" বুলি
সাদৰে পিতাই আহি।

ই জীৱন প্ৰবাসৰ কাল,
সংসাৰ মোহৰ মঠ ;

পিতা-পুত্ৰ মৃত্যুৰে মিলায়,
মৃত্যুৰে মুক্তিৰ পথ।

শ্ৰীদণ্ডিনাথ কলিতা।

---



## ভুচুংপহু।

( সৰু লৰা-ছোৱালীলৈ )

এসময়ত এজন ৰজাৰ এজন মন্ত্ৰী আছিল। এদিন ৰজাই দুটা মাছ আনি মন্ত্ৰীক কলে "মন্ত্ৰী, তুমি মোক এই মাছ দুটাৰ কোনটো মতা কোনটো মাইকী চিনি দিয়া। যদি তুমি চিনিব নোঁৱাৰা তেন্তে তোমাক পোতাশালত থম।" মন্ত্ৰীয়ে কোনোবকমেই মাছ দুটা চিনিব নোৱাৰিলে ; ৰজাই সেইদেখি তেওঁক পোতা-শালত থলে। মন্ত্ৰীক পোতাশালত থোৱা দেখি মন্ত্ৰীৰ পুতেকে বৰ বেজাৰ পাই পিতাকক পোতাশালৰপৰা মোকোলাবলৈ উপায় বিচাৰি হাতত ছাতি এটা আৰু খৰম এজোৰ মাত্ৰ লৈ ঘৰৰপৰা ওলাই গল। মন্ত্ৰীৰ লৰাই বাটত এটা লগৰীয়া পাই তাৰেসৈতে কথা-বতৰা পাতি গৈ গৈ গধূলি সময়ত সেই মানুহটোৰ ঘৰ পালেগৈ। মন্ত্ৰীৰ লৰা পদূলিমূৰতে ৰল। মন্ত্ৰীৰ লৰাই বাটত যাওঁতে গছতল পালে ছাতিটো মেলি লয় আৰু এনেই হলে জপাই লয়। সেই দৰে পানী পালে বা বোকা পালে খৰম জোৰ পিন্ধে, এনেই হলে হাতত লৈ যায়। মানুহটোৱে এইবিলাক কথা দেখি আচৰিত মানি গৈছিল। মানুহটো ঘৰ পালত তাৰ লগত যোৱা মন্ত্ৰীৰ লৰাই পদূলিমূৰতে ৰহি অলপ জিৰাইছে ; এনেতে জীয়েকে মানুহটোক শুধিলে "পিতাই, তুমি ইমান বাট খোজ কাঢ়ি আহিলা, তোমাক বাটে কিলালে নে, তুমিহে বাটক কিলালা ?" মানুহটোৱে আচৰিত যেন শুনি জীয়েকক ভেকাহি মাৰি দিলে, "এ যা তোৰে নিচিনা অদ্ভুত মানুহ এটা বাটত পাই আহিছোঁ, সি গছতল পালে ছাতি মেলে, পানী বা বোকা পালে খৰম পিন্ধে।" জীয়েকে এই কথা শুনি বাপেকক কলে "পিতাই, সেই জন কব মানুহ, এতিয়া কলৈ গল ? সেই জন বৰ জ্ঞানী মানুহ। তুমি তেওঁক মাতি আনা, মোৰ অলপ দৰকাৰ আছে, তেনেকুৱা মানুহ এজন লাগে।" বাপেকে কলে "সেইটো কেলৈই অ ?" জীয়েকে "নহয় পিতাই যোৱাঁ, তেওঁক মাতি আনাগৈ।" জীয়েকৰ কথা শুনি বাপেকে গৈ মন্ত্ৰীৰ লৰাক মাতি আনিলে। সি তাৰ ঘৰতে দিনদিয়েক থাকিল। লৰাটো ভাল দেখি মানুহটোৱে জীয়েকক তালৈ বিয়া দিবৰ মন কৰি, তাৰ আগত সেই প্ৰস্তাৱ কৰিলত, মন্ত্ৰীৰ লৰাই কলে "যদি তুমি তোমাৰ জীয়েৰাক মোলৈ দিব খোজা তেন্তে মোৰ এটা নিয়ম আছে সেই নিয়ম মতে হলেহে মই বিয়া কৰাব পাৰোঁ।"

বাপেকে কলে “এবা তোমাৰ নিয়ম মতে হবলৈও বৰ টান, তুমি বোকা পানী পালে খৰম পিন্ধা, গছতল পালে ছাতি মেলি লোৱা। এনেকুৱা নিয়ম হলেনো আমি কেনেকৈ পাৰিম?” জীয়েকে কলে “পিতাই, তুমি সেইটো কথাও জনা-নাইনে? মই ভাঙি দিওঁ শুনা। বোকা বা পানী পালে খৰম পিন্ধাৰ কাৰণ এই যে, তেখেত আহিছে দেশ ফুৰিবলৈ, যদি বোকাৰ তলত এডাল কাঁইট থাকে তেন্তে তেখেতে নেদেখে নহয়। সেইদেখি তেখেতে কাঁইটে বিন্ধিব নোৱাৰাকৈ খৰম পিন্ধি লয়। আৰু গছৰ ওপৰত অনেক চৰাই থাকে, কিজানি সেইবিলাকে গাত আপচু বস্তু পেলাই দিয়ে ইয়াকে ভাবি তেওঁ গছতলত ছাতি মেলি লয়। তুমি ইয়াকে বৰ কথা যেন পাইছা। মই কবলৈ হলে মই তেখেতৰ বাহিৰে অন্যত বিয়া দিলে মৰিয়েই যাম।” বাপেকে তেতিয়া মন্ত্ৰীৰ লৰাক শুধিলে “বাৰু তোমাৰ নো নিয়মটো কি?” মন্ত্ৰীৰ লৰাই কলে “মোৰ বোপাই ৰজাঘৰৰ মন্ত্ৰী আছিল। সিদিনা ৰজাই কোনোবা মানুহৰ কথা শুনি মোৰ পিতাক মন্ত্ৰী ভাঙিবৰ মনেৰে মাছ দুটা আনি সেই দুটাৰ কোনটো মতা মাইকী চিনি দিবলৈ কলে। মোৰ পিতাই মাছ দুটা চিনি দিব নোৱাৰিলে। তেতিয়া ৰজাই মোৰ পিতাক মন্ত্ৰী ভাঙি পোতাশালত বন্দী কৰিলে। মই পিতাক পোতাশালত থোৱা দেখি বৰ বেজাৰ পাই কোনো ৰকমে মাছ দুটা চিনি পিতাক পোতাশালৰপৰা উলিয়াবৰ উপায় বিচাৰি ওলাই আহিলোঁ। এতিয়া যদি তোমাৰ জীয়েৰে কিবা উপায়েৰে পিতাক মুকলি কৰিবৰ্গৈ পাৰে তেন্তে মই তাইক বিয়া কৰাব পাৰোঁ নহলে নকৰাওঁ।” ছোৱালীজনীয়ে এই কথা শুনি কলে “সেইটোনো কি কথা আছে, মই ভাঙি দিম।” মন্ত্ৰীৰ লৰাই কলে “বাৰু তেনেহলে একো কথাই নাই।” এইবিলাক কোৱামেলা কৰি মন্ত্ৰীৰ লৰা তাতে কেইদিনমান থাকি ছোৱালী বিয়া কৰাই ঘৰলৈ উলটি আহিল। ঘৰত দুই তিনি দিনমান আছে, এদিন মন্ত্ৰীৰ লৰাই বৈণীয়েকক কলে “এতিয়া মাছ চিনি দি মোৰ পিতাক পোতাশালৰপৰা মুকলি কৰিব লাগে।” বৈণীয়েকে কলে “বাৰু, আপুনি এতিয়া ৰজাৰ ঘৰলৈ যাওক, ৰজাক কওকগৈ যে “স্বৰ্গদেউ, মোৰ পিতাই মাছ দুটাৰ মতামাইকী চিনিব নোৱৰা কাৰণেই পোতাশালত আছে। মই স্বৰ্গদেউক মানুহৰ মতা মাইকী চিনিবলৈ দিওঁ পাৰিব নে? যদি আপুনি চিনিব পাৰে তেন্তে মইও মাছ দুটাৰ মতা মাইকী চিনি দিব পাৰিম।” আৰু কব, “মই মানুহৰ মতা মাইকী চিনি দিব পাৰিলে আৰু আপুনি নোৱাৰিলে



মোৰ পিতাদেৱক মুকলি কৰি দিব লাগিব।’ এই বুলি বৈণীয়েকে গিৰিয়েকক কি কৰিব লাগে শিকাই দিলে। গিৰিয়েকে বৈণীয়েকৰ কথামতে ৰজাৰ ওচৰলৈ গৈ সেই দৰে কলত ৰজাই তেনে বন্দবস্ত মান্তি হলত, এটা দিঘলীয়া গাত খনোৱাই, মতামানুহ আৰু তিৰুতামানুহক মতা মানুহৰ কাপোৰ পিন্ধাই লৈ সিহঁতৰ মুখ আৰু গা কাপোৰেৰে চিনিব নোৱাৰাকৈ ওৰণী ঢাকি দি, সিহঁতক সেই খালটো জপিয়াই পাৰ হবলৈ দিলে। আৰু কৈ দিলে, যি জাপমাৰি পাৰ হব সি সোণৰ মোহৰ একোটা পাব। সোণৰ মোহৰৰ লোভত অনেক মতা আৰু তিৰুতা সেই দৰে মতাৰ কাপোৰ পিন্ধি চিনিব নোৱৰাকৈ খাল জপিয়াই পাৰ হবলৈ আহিল। মানুহবোৰে খাল পাৰ হোৱা চাই থাকি ৰজাই সিহঁতৰ ভিতৰৰ তিৰুতাবোৰৰ কাকো চিনিব নোৱাৰি মতা বোলাত, মন্ত্ৰীৰ পুতেকে সেইবোৰক তিৰুতা বুলি চিনি দিলে। ৰজাই পিছত পৰীক্ষা কৰি চাই আচৰিত মানি, মন্ত্ৰীৰ পুতেকে কেনেকৈ চিনিলে বুলি সোধাত, মন্ত্ৰীৰ পুতেকে কলে “স্বৰ্গদেও, জাপ মাৰোতে মই মানুহবোৰৰ ভৰিবোৰলৈ চাই আছিলোঁ। যি মানুহে সোঁও ভৰিটো আগবঢ়াই জাপ মাৰে সি মতা, আৰু যি বাওঁ ভৰিটো আগবঢ়াই জাপ মাৰে সি মাইকী, এয়ে মানুহৰ মতা মাইকী চিনিবৰ নিয়ম। মানুহবোৰে খাল পাৰ হওঁতে চাই আছিলোঁ, যি কেইটাই বাওঁ ভৰিটো আগেয়ে দাঙি আগবঢ়াই খাল পাৰ হৈছিল সেই কেইটাকে তিৰুতা বুলি বুজিলোঁ, কাৰণ তিৰুতাই হে বাওঁ ভৰিটো সোঁও ভৰিটোৰ আগেয়ে দিয়ে।” ৰজাই এই কাৰ্য্যত সন্তুষ্ট হৈ মন্ত্ৰীক পোতাশালৰপৰা মুকলি কৰি দিলে।

ৰজাৰ নাপিতটো মন্ত্ৰীৰ শত্ৰু। সি বৰ ধূৰ্ত্ত, বৰ টেঙৰ। সি এদিন ৰজাক কলে যে ‘স্বৰ্গদেউ, মন্ত্ৰীৰ লৰাই যি বুদ্ধিৰে বাপেকক মোকোলালে সেইটো তাৰ নিজৰ বুদ্ধি নহয়, তাৰ বৈণীয়েকৰ হে। সেইজনী বৰ বুদ্ধিমতী তিৰুতা, সেইজনী তিৰুতা স্বৰ্গদেউৰ হে যোগ্য।” ৰজাই কলে “হয়নে? বাৰু তেন্তে এটা উপায় কৰি তাইক আনিব লাগে।” নাপিতে ৰজাক বুধি দিলে “স্বৰ্গদেও, মন্ত্ৰীক এটা ভুচুংপহু আনি দিবলৈ কওক। নোৱাৰিলে, আকৌ পোতাশালত বন্দী কৰি থৈ, বোৱাৰীয়েকক লৈ আহিব।” তাৰ কথা শুনি ৰজাই মন্ত্ৰীক কলে যে “তুমি মোক এটা ভুচুংপহু আনি দিব লাগে, নহলে তোমাক কাটিম।” মন্ত্ৰীয়ে এই আদেশ পাই এইবাৰ প্ৰাণৰ সংশয় যেন ভাবি মন মাৰি চ’ৰাঘৰত বহি আছেহি। এনেতে বোৱাৰীয়েকে ওলাই আহি সুধিলে “দেউতা, আপুনি নো আজি মন মাৰি বহি আছে

কিয় ?" শহুৰেকে কলে "কি হব, ৰজাই আজি যি আদেশ কৰিছে এইবাৰ সেই আদেশ পালন কৰিব নোৱাৰিলে কটা যাব লাগিব, আৰু আদেশ পালন কৰিবও নোৱাৰোঁ।" বোৱাৰীয়েকে সুধিলে "কি আদেশ নো শুনোচোঁন।" শহুৰেকে কলে "শুনিলে নো কি হব, বাৰু শুনিবলৈ ইচ্ছা কৰিছ যদি শুন। আজি ৰজাই কৈছে বোলে ৰজাক হেনো ভুচুংপহু এটা আনি দিব লাগে, নহলে মোক কাটিব।" বোৱাৰীয়েকে কলে "ইঃ ৰব কথাটো! তাতে আপুনি ইমান চিন্তা কৰিছে? মই দিম ভুচুংপহু আনি, আপুনি ৰজাৰ ঘৰলৈ যাওক,আৰু ৰজাক কওকগৈ যে আপোনাক ভুচুংপহু বিচাৰিবলৈ এমাহ দিন দিয়ক তেহে আপুনি বিচাৰি আনি দিব পাৰিব।" শহুৰেকে কলে "তই পাৰিবি নে এমাহৰ ভিতৰত দিব?" বোৱাৰীয়েকে কলে "পাৰিম আপুনি যাওক।" শহুৰেকেও বোৱাৰীয়েকৰ কথামতে ৰজাৰ ঘৰলৈ গৈ ৰজাক এমাহলৈ দিন খুজিলেগৈ, ৰজাও সম্মত হল। মন্ত্ৰীয়ে এমাহলৈ দিন লৈ আহি বোৱাৰীয়েকক কলেহি। বোৱাৰীয়েকে কলে "বাৰু এতিয়া আপোনালোকে ভুচুংপহু বিচৰাৰ ভাও ধৰি দিনটো ঘৰত নেথাকিব। মই ৰজাৰ পেটৰ ভাবটো বুজি লওঁ।" তেওঁবিলাকে বোৱাৰীয়েকৰ কথামতে ভুচুং পহু বিচাৰিবলৈ বুলি সদায় চিকাৰ কৰিবলৈ যায়। ইফালে এদিন ৰজাই মন্ত্ৰীৰ ঘৰলৈ আহি বোৱাৰীয়েকে ৰজাক ৰখিবলৈ খাটিলেহি। বোৱাৰীয়েকেও ৰজাক লাজ দিবৰ মনেৰে সেই কথাত সম্মত হল। এই দৰে মাজে সময়ে ৰজা আহে কিন্তু বোৱাৰীয়েকে নানা কাৰণ দেখুৱাই পঠিয়াই দিয়ে। এই দৰেই এমাহ হলগৈ, কিন্তু ৰজাই তাইক নিব নোৱাৰিলে। বোৱাৰীয়েকে ৰজাক কলে যে "কাইলৈ এমাহ পূৰ হব, কাইলৈকে যদি মই নেযাও তেন্তে যাব নোৱাৰোঁ। আপুনি কাইলৈ আহিব।" ৰজাই বাৰু বুলি শলাগি সেই দিনা গল। আৰু সেই দিনা বোৱাৰীয়েকে শহুৰেক আৰু গিৰিয়েকক সকলো কথা ভাঙিছিঙি কৈ পাছদিনা সোনকালে হাবিৰপৰা আহিবলৈ কলে। পিছদিনা মন্ত্ৰী আৰু তেওঁৰ পুতেকে পহু বিচাৰি হাবিলৈ গল, ইফালে ৰজা আহি মন্ত্ৰীৰ ঘৰত সোমালহি। বোৱাৰীয়েকে শিকাই থোৱা মতে এনেতে মন্ত্ৰী আৰু তেওঁৰ পুতেক আহি ওলালহি। ৰজাই হুৱাৰ-মুখত তেওঁবিলাকৰ গম পাই কি কৰিম কি মেলিম একো উপায় নেপাই বোৱাৰীয়েকক বুধি সুধিলে। বোৱাৰীয়েকেও তৎক্ষণাৎ এটা বুধি উলিয়াই ৰজাক লালিৰ মুট্‌কি এটাত সুমাই দিলে। ইফালে মন্ত্ৰীয়ে ভিতৰ সোমাই বোৱাৰীয়েকক কলে যে



"মোক অলপমান লালি লগা হল, মুট্‌কিটো কত আছে?" বোৱাৰীয়েকে কলে "এইয়া ইয়াতে আছে।" মন্ত্ৰী লালিৰ মুটকিৰ ওচৰলৈ উঠি গল। বোৱাৰীয়েকে ততালিকে ৰজাক তাৰপৰা উলিয়াই নি ওচৰতে থকা তুলাৰ থাং এটাত ভৰাই দিলে। ৰজাৰ গোটেই গাটোতে তুলা লাগি ৰজা বিকৃত আকাৰ হৈ পৰিল। মন্ত্ৰীয়ে লালিৰ মুটকিৰ ওচৰত তুলাৰ খাওটোত এটা জন্তু সোমাই থকা দেখি সুধিলে "এইটো কি?" বোৱাৰীয়েকে কলে "সেইটোৱেই ভুচুংপহু; এতিয়া ধৰি ৰজাৰ ওচৰলৈ লৈ যাওক।" মন্ত্ৰীয়ে এই কথা শুনি আনন্দ পাই ভুচুংপহু ধৰিবলৈ দোল বিচাৰোতেই ৰজা তাৰপৰা ওলাই লৰ মাৰি ঘৰৰ ফালে গল। মন্ত্ৰী আৰু পুতেকে পিছে পিছে ভুচুংপহু খেদি নি ৰজাৰ ঘৰত সোমালগৈ। ৰজাই লৰি ভিতৰ সোমাই গা পা ধুই বাহিৰলৈ ওলাই আহি মন্ত্ৰীক কলে "মই ভুচুংপহু দেখিলোঁ। তোমালোক সোমাগৈ, আজিৰপৰা তোমালোক দুয়ো ৰাজসভাত বহিবলৈ আহিবা।" এই আদেশ পাই মন্ত্ৰী পুতেকেৰে সৈতে ঘৰলৈ গল। আৰু আমাৰো কাপোৰ-কানি ক'লা হল, শুচি আহিলোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# কৈবৰ্ত্ত জাতীয় হিতকৰী সভা।

## তলত তুলি দিয়া কাকতখন আমি পাইছোঁ:—

"গত ১৩২২ সনৰ ১৩ই চ'ত দেওবাৰে আবেলি, শ্ৰীশ্ৰীআউনী আটীয়া সত্ৰাধিকাৰ প্ৰভুৰ উত্তৰ গুৱাহাটীৰ বাহাৰত গুৱাহাটীস্থ কৈবৰ্ত্ত জাতীয় হিতকৰী সভাৰ সমজুৱা সকল, প্ৰভু ঈশ্বৰৰ সমীপত উপস্থিত হৈ তলত লিখা বিষয়ৰ প্ৰস্তাব কৰে:—

"১ প্ৰস্তাব। অসমৰ গোঁসাই প্ৰভু আৰু স্থানীয় গণ্যমান্য ভদ্ৰলোক সকলে, স্বদেশীয় মৎস্যজীৱী নদীয়াল সকলক ব্যৱসায়ানুসাৰে কৈবৰ্ত্ত বুলি স্থিৰ সিদ্ধান্ত কৰিছে আৰু সি সকলৰ সিদ্ধান্তকে সত্য জ্ঞানে গৱৰ্ণমেণ্টেও ইংৰাজী ১৯১১ সনৰ চেন্‌চাচ ৰিপোৰ্টত নদীয়াল শ্ৰেণীৰ যাৱতীয় লোকক কৈবৰ্ত্ত বুলিয়েই, কৈবৰ্ত্ত শ্ৰেণী

ভুক্ত কৰিছে, এতেকে বন্দি হতৰ কৰজোৰে প্ৰাৰ্থনা, যেন এই নাম পট্টা পাস্কিলত তুলিবলৈ আৰু সৰ্ব্বসাধাৰণৰ বিদিতাৰ্থে, প্ৰভু ঈশ্বৰে গবৰ্ণমেণ্টলৈ লিখি, "আসাম গেজেটত" প্ৰচাৰ কৰায় নিজ মহানুভৱতা প্ৰকাশ পূৰ্ব্বক, এই নিকিঞ্চন পতিত জাতিৰ উন্নতি বিধান কৰে।

"১ম সিদ্ধান্ত :—তদুত্তৰে প্ৰভু ঈশ্বৰে নিজ অভিমত প্ৰকাশ কৰে যে নদীয়াল জাতিৰ সকলোকে একেবাৰে কৈবৰ্ত্ত বুলি, সাম্যতা ৰক্ষা কৰিব নোৱাৰি। যি সকলৰ মৎস্য ব্যৱসায় একেবাৰে চিৰ পৰিত্যজ্য আৰু যি সকলে মাছ মাৰি পানীতে অৰ্থাৎ বামলৈ নুতুলি নাৱৰ পৰাই বেচা কিনা কৰে, কেৱল সিবিলাককহে কৈবৰ্ত্ত বুলিব পাৰি। যি সকলে সেই শাস্ত্ৰীয় ব্যৱস্থা এৰি, হাটে, বজাৰে, গাওঁয়ে, ভুইয়ে মাছ বিকি ফুৰে, সেই সকলক কৈবৰ্ত্ত নুবুলি, নদীয়াল বোলাই যুক্তি সঙ্গত; এই শ্ৰেণীৰ লোকৰ পৰা আগেয়ে কোৱা কৈবৰ্ত্ত শ্ৰেণীয় লোক সকল পৃথকে থাকিব লাগিব" আৰু যথাবিধি প্ৰায়শ্চিত্ত কৰি শুদ্ধ কৰা হব।

"২য় প্ৰস্তাব—১ম সিদ্ধান্তৰ প্ৰত্যুত্তৰে, পুনঃ জনোৱা হয় যে সকলো শ্ৰেণী মানুহৰ পক্ষে নিজ নিজ বৃত্তি কোনো মতে হেয় নহয় বিশেষ নিজ নিজ বৃত্তিয়ে সমাজৰ পুষ্টি সাধন কৰে মাথোন। সমজৰ অঙ্গ স্বৰূপ কোনো এক শ্ৰেণীৰ মানুহে নিজ কৰ্ত্তব্য কাৰ্য্য কৰিবলৈ এৰিলে সিবিলাকৰ নিজৰ হে হানী, এনে নহয়, তেতিয়া সকলো সমাজেই সম্পূৰ্ণ ক্ষতি স্বীকাৰ কৰিব লাগিব। অতিজৰে পৰা মাছ মৰা আৰু বেচোতা সকল ইয়াতকৈ আন কোনো হীন কাম নকৰে, ইত্যাদি বিষয় অবগত হৈহে ব্যৱসায়ানুসাৰেই গোসাই, মহন্ত প্ৰভু সকলেও ইতৰ বিশেষ নকৰি সমস্তকে কৈবৰ্ত্ত শ্ৰেণীৰ লোক বুলি সিদ্ধান্ত কৰিছে। একে নদীয়াল জাতিৰ অৱস্থা আন জাতীয় সকলতকৈ অনেক গুণে হীন এনে অৱস্থাত বৰ্ত্তমান ব্যৱসায় হঠাৎ এৰিব লগা হলে সিবিলাকৰ অৱস্থা আৰু শোচনীয় নহৈ নোৱাৰে। বিশেষতঃ তেতিয়া স্বদেশীয় মৎস্যজীৱী সকলৰ স্বাধীনতা একেবাৰে লোপ কৰি আন বিদেশীয় লোকৰ একাধিপত্য বিস্তাৰ কৰা হব মাথোন। সেই বাবে পুনঃ আলোচনাৰ্থ সনিৰ্ব্বন্ধে প্ৰভু ঈশ্বৰৰ সমীপত জনোৱা হৈছে।

"২য় সিদ্ধান্ত—( প্ৰভু ঈশ্বৰৰ অভিমত প্ৰকাশ ):—

"জাতীয় উন্নতি বিধান কাৰ্য্য বিলাকলৈ গমি চালে দেখা যায় যে যি কোনো জাতিয়ে নিজৰ উন্নতি সাধিবলৈ গলে, সেই জাতীয় সকলো লোক একেবাৰে ভাল



হব নোৱাৰে; কাৰণ সকলোৰে মতৰ ঐক্য হোৱা সম্পূৰ্ণ অসম্ভৱ। জ্ঞানী অজ্ঞানী ভাল মন্দ সকলো জাতিতেই আছে। যি সকলে জ্ঞান লাভ কৰি ভালৰ আহিলৈ আহি, ভাললৈ যত্ন কৰে, সি সকলক ভাল কৰাই আমাৰো একান্ত ইচ্ছা। লালুং কচাৰী, নগা, মিৰি আদি আন আন পতিত জাতিলৈ চালেও এই কথাৰ বিশেষ প্ৰমাণ পোৱা যায়।

"যি সকল লোকৰ চিৰকাল মাছ মৰা আৰু বেচা বৃত্তি নাই আৰু এই ব্যৱসায়ত কোনো সম্পৰ্ক নাৰাখি, কৃষি বাণিজ্যাদি আন ব্যৱসায় কৰি জীবিকা চলায় আছে, সি সকলে ইচ্ছা কৰিলে নদীয়াল ( মাছ মৰা ) আৰু নাৱৰ পৰা বেচা কৈবৰ্ত্ত শ্ৰেণীৰ পৰা পৃথক হৈ, পৃথক সমাজ বন্ধন ক্ৰমে আন উচ্চ জাতিৰ সংসৰ্গ লৈ নিজ উন্নতি সাধিব পাৰিব। সম্প্ৰতি ঘাটে বজাৰে গাঁওয়ে ভূইয়ে মাছ বেচা বিলাকৰ পৰা আতৰ হৈ থাকিলে, ক্ৰমে উন্নতিৰ বাট মুকলি হব। শ্ৰেণী বিভাগ দৃঢ় হৈ নুঠে মানে, কৈবৰ্ত্তৰ আৰু নদীয়ালৰ ছোৱালী পৰস্পৰে অনানিয়া কৰিব পাৰিব কিন্তু নদীয়ালৰ ছোৱালী কৈবৰ্ত্তে আনিলে যথা বিধি প্ৰায়শ্চিত্ত কৰি সমাজভুক্ত হব লাগিব। এই ব্যৱস্থা ক্ৰমে যি সকলে কৈবৰ্ত্ত হবলৈ ইচ্ছা কৰে সিবিলাকৰ নামৰ তালিকা তৈয়াৰ কৰি ২ খনি আমালৈ পঠায় এখনি সভাত ৰাখিবা আৰু আমাৰ প্ৰকাশিত সমস্ত কথা উজান ভাটী সৰ্ব্বত্ৰ প্ৰচাৰ কৰিবলৈ ত্ৰুটী নকৰিব।

"প্ৰভু ঈশ্বৰৰ এই আদেশ বানি প্ৰকাশ হোৱা মাত্ৰকে গুৱাহাটীৰ নগৰৰ আৰু ওচৰ গাঁওৰ কৈবৰ্ত্ত জাতীয় অধিকাংশ লোকেই দৃঢ়-প্ৰতিজ্ঞ হৈ নিজ নিজ ব্যৱসায় পৰিত্যাগ ক্ৰমে দিনে দিনে আহি গুৱাহাটী কৈবৰ্ত্ত জাতীৰ হিতকৰী সভাৰ কৈবৰ্ত্ত লিষ্টত নিজ নিজ নাম চহী কৰি জাতীয় উন্নতি সাধন কৰিছে; এতেকে এই জাননীয়ে আসামৰ ভিন ভিন ঠাইৰ কৈবৰ্ত্ত জাতীয় সৰ্ব্বসাধাৰণৰ জ্ঞাত কাৰণে জনোৱা হৈছে যে, সি বিলাকে নিজ নিজ গাঁওৰ প্ৰতি খেলে খেলে একো একো খনি মেল বহি যি সকলে মাছৰ ব্যৱসায় এৰি, কৈবৰ্ত্ত হবলৈ মন কৰে সি সকলৰ নামৰ তালিকা প্ৰস্তুত কৰি, গুৱাহাটীৰ কৈবৰ্ত্ত জাতীয় হিতকৰী সভাৰ সম্পাদকৰ নামে সেই লিষ্টৰ নকল অতি শীঘ্ৰে পঠায় বিশেষ অনুগৃহীত কৰিব।"

## আমাৰ কবলগীয়া।

ওপৰত দিয়া কাকতৰ কথাৰ বিষয়ে আমি ইয়াকে কওঁ, যে আউনীআটীয়া গোসাঁইয়ে দিয়া ব্যৱস্থামতে যদি কৈবৰ্ত্তসকল চলে তেন্তে তেওঁলোকে নিজৰ ভৰিতে

১। ২। } [illegible]

নিজে কুঠাৰ মাৰিব। নদীয়ালসকলৰ ভিতৰত ভ্ৰাতৃবিৰোধ জাতিবিৰোধ ঘটি তেওঁ-লোক দুৰ্ব্বল হব আৰু লগে লগে গোটেই হিন্দু-সমাজও যে সেই অপায়ৰ চিটিকণি গাত নপৰাকৈ সাৰিব এনে নহয়। নদীয়ালসকল গোসাঁই-প্ৰভুৰ ব্যৱস্থামতে কৈবৰ্ত্ত হবলৈ গলে, তেওঁলোকৰ জীবিকা-লক্ষ্মী মাছৰ ব্যৱসায় পৰিত্যাগ কৰি, দুখীয়া হৈ "লক্ষ্মীছাড়া" হোৱাৰ কালে যাব, আৰু তাৰ ফল তেওঁলোকে যে ভুঞ্জিবই হিন্দুসমাজৰ আন আন জাতিয়েও আওবাটেদি ভুঞ্জিব নিশ্চয়। আৰু অমঙ্গলৰ কথা হব যে—একে কৈবৰ্ত্ত জাতিয়েই দুথাপৰ দুভাগ হৈ পৰস্পৰ দ্বন্দ্ব হাই কাজিয়াত তেওঁলোকৰ শক্তি সামৰ্থ্য নিয়োগ কৰি অশান্তি অমঙ্গলত পৰিব। আসামৰ আন জাতৰ মানুহে নিজৰ কোটীকলীয়া পৈতৃক ব্যৱসায় এৰি পৰৰ ১৫।২০ টকীয়া চাকৰী বিচাৰি লুৰ্ক্ষুং লুঠুং হৈ পৰিছেই.এতিয়া আকৌ অসমীয়া নদীয়াল বা কৈবৰ্ত্ত সকলেকো তেনে ব্যৱস্থাই হৈছে !! তেওঁলোকে তেওঁলোকৰ পৈতৃক ব্যৱসায়টো লোকক এৰি দিলে বিদেশী মৎস্যজীবীসকলে আসাম লুটিবৰ ষোল অনা সুবিধা হব, আৰু আমাৰ তেওঁলোকে আউনীঅটীয়া গোঁসাই প্ৰভুৱে দিয়া কৈবৰ্ত্তৰ পকা কোটৰ ছাব একোটা কপালত পিন্ধি বা মাৰি—স্কুলত লেখাপঢ়া শিকাসকলে চাহ বাগিছাৰ মহৰী কেৰাণী বা গবৰ্ণমেণ্টৰ ঘৰৰ কেৰাণী কাম আমাক লাগে বুলি, আৰু লেখাপঢ়া নিশিকাসকলে কুলীৰ কাম আমাক লাগে বুলি—লাও-টোকাৰি লৈ বৰাগী গীত গাই ফুৰিবৰ সুবিধা হব। এই কেৰাই নাথোন "লাভং পৰং কুটাগছং।"

বৰ্ত্তমান আউনীঅটীয়া গোঁসায়ে; আউনীআটীৰপৰা দিয়া আগৰ চাৰ্টফিকেটৰ কথা পাহৰিলে নে কি? আগেয়ে আউনীঅটীয়া গোঁসাই প্ৰভুকে আদি কৰি গোঁসাইসকলে অসমীয়া মৎস্যজীবি নদীয়াললোকসকলক ব্যৱসায়ানুসাৰে কৈবৰ্ত্ত বুলি সিদ্ধান্ত কৰি যি চাৰ্টফিকেট দিছিল সেইখন কত তল পৰিল? আৰু সেই লেখি দিয়া চাৰ্টফিকেটৰ কথাতেই কোনো উভঁহা নধৰি গবৰ্ণমেণ্টে ১৯১১ চনৰ চেন্‌চচ্ ৰিপোৰ্টত নদীয়াল শ্ৰেণীৰ সকলো লোকক কৈবৰ্ত্ত শ্ৰেণীত ভুক্ত কৰিছে যে সেইটোৰ কি হব? সেই চাৰ্টফিকেটৰ ব্যৱস্থা বাতিল হল নে? আমাৰ হলে দৃঢ় বিশ্বাস, একেটা জাতিকে দুভাগ কৰি ফালিলে সেই জাতিৰ উন্নতি বা আন কিবা হওক নহওক, "জৰাসন্ধ বধ" কিন্তু নিশ্চয় হব।

মাছ ধৰি পানীতে ৰাখি অৰ্থাৎ বামলৈ নুতুলি বেচা কিনা কৰোঁতাক গোসাঁই প্ৰভুৱে কৈবৰ্ত্ত বুলি ওপৰ থাপত ৰাখিব খুজিছে, আৰু হাটে বজাৰে গাৱে-ভুঁয়ে



বেচোঁতাসকলক নদীয়াল বুলি তলৰ থাপত ঠাই দিব বা থব খুজিছে। আৰু অকল থৈয়েই নেৰে, ওখ কৈবৰ্ত্তৰে সৈতে তেওঁলোকক বিয়াবাৰু আচাৰ-ব্যৱহাৰ আদি সম্পৰ্ক নকৰিবলৈকো কৈছে! আমি প্ৰভুঈশ্বৰৰ ওচৰত মাথা দোৱাঁই সোধোঁ—তেন্তে প্ৰভু-ঈশ্বৰে, তেখেতৰ ব্যৱস্থামতে শুদ্ধ হৈ কৈবৰ্ত্ত হোৱা নদীয়াল-সকলক কোচ কলিতা আদিক আলধৰা কৰি লোৱাদি আলধৰা কৰি লব নে? আৰু তেখেতৰ ব্ৰাহ্মণ কায়স্থ আদি শিষ্যবৰ্গৰ ওপৰত এনে হুকুম জাৰি কৰি দিব নে, যে তেওঁলোকেও যেন এই কৈবৰ্ত্তসকলক আচৰণীয় কৰি লৈ এওঁলোকৰ হাতে পানী-ছুনি আদি খায়? যদি কৰে তেন্তে কৈবৰ্ত্তসকলে ভ্ৰাতৃবিচ্ছেদ কাৰ্য্য সমাপন কৰিও লাগে যদি এই কাম কৰিবলৈ ওলাব পাৰে। কিন্তু যদি প্ৰভুৱে তেনে কাৰ্য্য নকৰে, তেন্তে কিহৰ নিমিত্তে নদীয়ালসকলে ভাই-ভাগীসকলক পৰিহাৰ কৰা এনে গুৰুতৰ কাৰ্য্য কৰিবলৈ যাব লাগিব সেইটো তেওঁলোকে বুজিছে যদিও আমি হলে বুজিব নোৱাৰিলোঁ। নাথোন "কৈবৰ্ত্ত" নামটোকে পাবলৈ নে? আমাৰ দেশৰ কৈবৰ্ত্ত বন্ধুসকলে নিজৰ মনত প্ৰশ্ন কৰি ভাবি চাব,—আউনীআটীৰ গোসাঁই-প্ৰভুৱে দিব খোজা এই নামটো ব্ৰহ্মপুত্ৰৰ পানীৰ মিঠৈ নে, নাইবা তেখেতৰ সত্ৰৰ সুবিখ্যাত "পকা-মিঠৈ?"

গোসাঁই প্ৰভুৱে কৈবৰ্ত্তসকলৰ প্ৰস্তাৱৰ উত্তৰত সিদ্ধান্ত কৰিছে—"কোনো জাতিৰ সকলো লোক একেবাৰে ভাল হব নোৱাৰে, জ্ঞানী অজ্ঞানী ভাল মন্দ সকলো জাতিতেই আছে; ইত্যাদি।' বামুণ জাতিকে আদি কৰি সকলো ওখ জাতিৰ ভিতৰত জানো এই কথা নাখাটে? তেনে হলে বামুণ বা কায়স্থৰ ভিতৰতো জ্ঞানী অজ্ঞানী ভাল মন্দ বিচাৰি নতুন জাতিভেদৰ সৃষ্টি কৰি পৰস্পৰ বিয়া-বাৰু আচাৰ-ব্যৱহাৰ নচলিবলৈ মাজে মাজে একোখন হেন্দাৰ-ব্যৱস্থা "জাৰি" নহয় কিয়? তেনে হলেও প্ৰভুৱে মন কৰি চালে দেখিব, যে সেই নানা থাপত বিভক্ত হোৱা ব্ৰাহ্মণ বা কায়স্থ সকলোবোৰ একেটা নামৰ জাতৰে ভিতৰুৱা; যেনে যাজক বামুণো বামুণ, পটীয়াৰ বামুণো বামুণ, গোসাঁই মহন্ত বামুণও বামুণ। তেওঁলোকৰ এভাগ বামুণ আৰু আন ভাগ সিভাগেৰে বিয়া-বাৰু খোৱালোৱা আদি সম্পৰ্কবিৰহিত বণিয়া বা আন কোনো সুকীয়া জাতৰ লোক নহয়। বিশেষ আজিকালি ব্যৱসায় অনুসৰি (অৰ্থাৎ মাছ পানীত বে। আৰু বামত বেচাৰ দৰে) যদি জাতিবিভাগৰ সৃষ্টি হব লাগিল, তেন্তে বামুণ কায়স্থ কলিতাৰ ভিতৰত মুচি আৰু নদীয়ালৰপৰা গোসাঁই মহন্তলৈকে অনেক

জাতিৰ সৃষ্টি কৰিব লাগিবই। যদি ওখ জাতিৰ পক্ষে তেনে ব্যৱস্থা নহয় তেন্তে দুখীয়া নদীয়ালৰ একেটা জাতিকে নদীয়াল আৰু কৈবৰ্ত্ত এই দুটা নাম দিবৰ আৱশ্যক কি? আমি সোধোঁ, আগেয়ে দিয়া আউনীআটীৰ ব্যৱস্থামতে সকলোবোৰ নদীয়ালকে কৈবৰ্ত্ত বুলিবলৈ টান পাবৰ কাৰণ কি? লালুং মিৰি আদিৰ উদাহৰণ কৈবৰ্ত্ত-সকলৰ গাত কেনেকৈ খাটে আমি তো ভাবি নেপালোঁ। অহিন্দু লালুং মিৰি আদিয়ে সিহঁতৰ আগৰ ধৰ্ম্ম, বিশ্বাস, মদ, গাহৰি আদি কৰি সকলো অনাচাৰ পৰিত্যাগ কৰি অসমীয়া গোসাঁইত শৰণ লৈ হিন্দু হৈ সদাচাৰী হলে, সিহঁতক তেওঁলোকে কোঁচ আদি কুললৈ তুলি আচৰণীয় কৰি হিন্দুৰ সকলো অধিকাৰ দিয়ে। কিন্তু নদীয়ালসকল তো তেনে অহিন্দু নহয়, বা অনাচাৰী আশৰণীয় নহয়, যে তেওঁলোকক গোসাঁয়ে মাথোন কৈবৰ্ত্ত বুলি সোণামুৱা মাতেৰে মিছিকৈ মাতিলেই তেওঁলোকৰ গা জুৰাই যাব। নদীয়ালসকল আশৰণীয়া অনাচাৰী হোৱা তো দূৰৰ কথা তেওঁলোকৰ সদাচাৰ ধৰম-কৰম ঈশ্বৰৰ নাম-গুণ কীৰ্ত্তন ইত্যাদি কাৰ্য্যত আন অনেক জাতৰ হিন্দুৱে তেওঁলোকেৰে সৈতে জোৰ দিবলৈ গলে পিছ পৰিব। লালুং কচাৰী হিন্দু আচৰণীয় জাতি হলে সিহঁতৰ দ্বাৰাই প্ৰভুসকলৰ পাকঘৰ মণিকুটৰ কামবপৰা সকলো কাৰ্য্য সম্পাদিত হয়, অথচ পুৰণি কালৰেপৰা হিন্দুৰ নিয়মেৰে ধৰ্ম্ম-কৰ্ম্ম আচাৰ-ব্যৱহাৰত অনেক উচ্চ জাতিতকৈও উৎকৃষ্টভাৱে চলোতা এই নদীয়াল অৰ্থাৎ কৈবৰ্ত্ত শ্ৰেণীৰ নৈষ্ঠিক হিন্দু লোকসকলে প্ৰভুসকলৰ হাতত কোঁচ বা কেওট জাতিৰ দৰে ব্যৱহাৰও নাপায়!

আমি কওঁ, আউনীআটীৰ আগৰ ব্যৱস্থা মতে নদীয়ালসকল কৈবৰ্ত্ত; আৰু বাস্তৱিকতে তেওঁলোক কৈবৰ্ত্তই। তেওঁলোকে একো হীন কাম নকৰে। মাছ মৰাটো হীন কাম নহয়। মাছ মৰাটো যদি হীন কাম হয়, তেন্তে দিনৌ চকুৰ আগতে দেখা যায় দেখোন বামুণকে আদি কৰি হিন্দুৱে মাছ দিনৌ মাৰিব লাগিছে; আৰু অনেকে পুখুৰী বা বিলতে মাছ থৈ, অৰ্থাৎ মেলি থৈ বা ধৰি থৈ, পানীতে অৰ্থাৎ বামলৈ নুতুলি বেচিব লাগিছে; অথচ তেওঁলোক কৈবৰ্ত্তৰ শাৰীলৈ নমা বা উঠাও নাই দেখোন। মাছ মৰাটো আৰু বেচাটো যদি হীন কাম, পহু মৰাটো নহয় জানো? অথচ অনেক ওখ জাতৰ হিন্দুৱে ব্যাধৰ বৃত্তি অৱলম্বন কৰি সততে পহু মাৰিব লাগিছে, আৰু পহু কাটি "ভাগ"কৈ প্ৰকাৰান্তৰে বেচিবও লাগিছে, তথাপি তেওঁলোক জাতিত ওখ হৈয়েই বৈছে দেখোন। আমি কওঁ বেহা-বেপাৰ, বেচা-কিনা নীহ কাম নহয়;



বৰং সি স্বাধীন বৃত্তি, চাকৰী বা গোলামীতকৈ অকেক ওখ থাপৰ। নদীয়ালসকলে মাছৰ ব্যৱসায় কৰি স্বাধীনভাৱে জীৱিকা নিৰ্ব্বাহ কৰে, আৰু তেওঁলোকৰ কাৰ্য্যৰ দ্বাৰাই স্বদেশ ধনী হয়, স্বদেশৰ উপকাৰ হয়; এইবাবেই তেওঁলোক শ্ৰেষ্ঠ নহৈ নীহ হল নে? আমাৰ দেশত নদীয়াল বা কৈবৰ্ত্তসকলৰ প্ৰতি অনেক কাল অবিচাৰ আৰু অন্যায় হৈ আহিছে; এতিয়া আৰু তেওঁলোকৰ প্ৰতি সুবিচাৰ কৰি হিন্দু-সমাজে তেওঁলোকক তেওঁলোকৰ প্ৰাপ্য স্থান দি, আচৰণীয় কৰি লৈ সম্মান প্ৰদৰ্শন কৰক ইয়াকেহে আমি কওঁ; আৰু কৰাটোহে ধৰ্ম্মৰ কাৰ্য্যও। মানুহক হেচা মাৰি ধৰি ওপৰলৈ উঠিবলৈ নিদিয়াটো নিশ্চয় অধৰ্ম্মৰ কাম।

সম্পাদক।

---

# ধৰ্ম্ম সভা।

৪৬৭ শঙ্কৰাব্দৰ ১লা ভাদ্ৰ বৃহস্পতি বাৰৰ দিনা জোৰহাট নৰ্ম্মাল স্কুলত ৺মহাপুৰুষ মাধৱদেৱৰ তিথি উপলক্ষে যি ধৰ্ম্ম সভা পতা হৈছিল, তাত মহাত্মা পণ্ডিত শ্ৰীযুক্ত মহীকান্ত শৰ্ম্মা বিদ্যাৰত্ন দেৱে সাকৰা কথাৰে, শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ সম্বন্ধে যি হৃদয়গ্ৰাহী বক্তৃতা দিছিল তাৰ সাৰাংশ তলত টুকি দিয়া হল।

তেখেতে কৈছিল—যি সময়ত আসামৰ সাহিত্য গুৰু আৰু ধৰ্ম্ম গুৰু ৺শঙ্কৰদেৱ, আৰু মাধৱদেৱৰ আবিৰ্ভাৱ হৈছিল, সেই সময়ত আসামৰ পূৰ্ব্বাঞ্চলত আহোম বংসৰ একাদশ আৰু দ্বাদশ ৰজা চুচেনফা আৰু চুহান্‌ফাই ৰাজত্ব কৰিছিল। এই দুজনা ৰজাৰ লিখা পঢ়াত সমুলি জ্ঞান নাছিল। আৰু ৰাজোচিত মতে ৰাজ্য শাসন কৰাতো এওঁলোক দুজন বৰ পাকৈত নাছিল।

কোন জনৰ দিনত ঠিককৈ কব নোৱাৰোঁ, আহোম ৰজাৰ ৰাজধানীৰ ওচৰত দুটা দঁতাল হাতীয়ে বৰ উপদ্ৰৱ কৰিছিল, ৰজাই আগ পাছ নেভাবি সেই হাতী দুটা জীয়াই জীয়াই ধৰিবলৈ হুকুম দিয়ে; ৰজাৰ আদেশ পায় উজনি নামনিৰ এটাই-বিলাক প্ৰজাই গোটখাই হাতী ধৰিবলৈ যত্ন কৰে; আৰু ৰজাই কয় যে যাৰ পালিয়েদি হাতী পলাব তাক তেতিয়াই শূলত দিয়া হব। ৰজাৰ এনে কটকটীয়া হুকুমলৈ ভয়

কৰি সকলো প্ৰজাই "মৰো জীওঁ নো আধি" কৰি হাতী দুটাক বেঢ়ি ধৰিলে। এই হাতী ধৰা কামত ৺শঙ্কৰদেৱ মাধৱদেৱৰ নিচিনা মহাপুৰুষো আহিব লগাত পৰিছিল।

দৈৱৰ বিপাক,যি পোনেদি ৺শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পালি আছিল;—হাতী সেই পোনেই গ'ল। এতিয়া ৰজাৰ আদেশ অনুসৰি মহাপুৰুষ দুজনৰ অকাল মৰণৰ সময় হল। তেতিয়া ভক্তসকলে কৌশল কৰি শঙ্কৰদেৱক ভটীয়াই পঠিয়াই পঠালে। ৺মাধৱদেৱ আৰু শঙ্কৰদেৱৰ জোঁৱায়েক হৰি এই দুজনক কাটি দিবলৈ বধ্য ভূমিলৈ অনা হল। পাছত ৰজাই ৺শঙ্কৰদেৱৰ জামাতাকে বধ কৰি, মাধৱদেৱক বৰাগী বুলি এৰি দিলে।

এই ঘটনা হৈ যোৱাৰ পাছত মাধৱদেৱো ৺শঙ্কৰদেৱৰ লগ লাগিল গৈ। আৰু মনৰ বেজাৰত দুয়োজন মহাপুৰুষ ভটীয়াই কোচ বেহাৰৰ ফালে যাবলৈ ধৰিলে; এনেতে বাটতে এজন সন্ন্যাসী পাই শঙ্কৰদেৱে নিজৰ দুখৰ কথা কৈ কোন-ৰজাৰ ৰাজ্যত থকা উচিত সেই বিষয় সন্ন্যাসীত পৰামৰ্শ খুজিলে। তেতিয়া সন্ন্যাসীয়ে নিজৰ পৰ্য্যটনৰ বিৱৰণ কৈ শঙ্কৰদেৱক কলে "মই আসামৰ প্ৰায় সকলো ৰজাৰ ৰাজধানীতে ২।৩ মাহকৈ আছোঁ। কোন ৰজাৰ বিচাৰ নীতি নিয়ম কেনেকুৱা তাক মই কাৰ্য্য আৰু বিচাৰৰ ৰীতি দেখুৱাই পৰিচয় দিওঁ তাকে দেখি আপোনাৰ যি ৰজাৰ ওচৰলৈ যাবৰ ইচ্ছা হয় তালৈকে যাব।" সন্ন্যাসীয়ে ক'লে মই ১মাহ আহোম ৰাজ্যত আছিলোঁ—তাত এটা মানুহে সাঙী কৰি এটা "জবা" টেঙ্গা আনি ৰজাক উপহাৰ দিছিল। ৰজাই সেই জবা টেঙ্গা খাই বৰ সন্তোষ পাইছিল। ৰজাই সেই মানুহটোক সুধিলে হেৰ তই এই জবা কত পালি? তেতিয়া জবা অনা মানুহটোৱে জবাৰ সমুদাই বৃত্তান্ত ৰজাত জনালে। ঘটনা শুনি ৰজাই মনতে ভাবিলে—মোৰ পিতৃ দেৱতাই এনে জবা কেতিয়াও খাবলৈ পোৱা নাই। তেওঁ গৈ এতিয়া মাটিৰ তলত পাতালত আছেগৈ। যদি এই জবাৰ গুটি আৰু এই জবা বোৱা মানুহটোক পাতাললৈ পঠায় দিব পাৰোঁ তেন্তে মোৰ পিতৃয়েও এনে জবা খাবলৈ নিশ্চয় পাব।

ইয়াকে ভাবিচিন্তি ৰজাই সেই মানুহটোক জবা গুটি এটাৰে সৈতে বাপেকক পোতা ঠাইতে পুতি বাপেকক জবা টেঙ্গা খুৱাবলৈ পঠালে। এই মতেই, এমাহৰ ভিতৰত মই বহুত ৰাজকাৰ্য্য দেখা পালোঁ। ইয়াৰ পাছত দৰঙ্গী ৰজাৰ ৰাজধানীলৈ গৈ ২ মাহ তাত আছিলোঁ। তাত দেখিলোঁ;—এদিন মানুহ এঘৰত চোৰ সোমাইছিল; চোৰে বস্তু উলিয়াওতেই গৃহস্থই সাৰ পাই চোৰক ধৰি ৰজাৰ ওচৰলৈ লৈ আহিল। তেতিয়া ৰজাই বিচাৰ কৰি ক'লে—চোৰে চুৰ কৰাৰ বাবে আৰু তইত গিৰিহঁতে সজাগৰে নথকাৰ বাবে দুয়ো শাস্তি পাব লাগে;—এই বুলি চোৰ গিৰিহঁত দুইকো শাস্তি দিলে। এইয়া কলোঁ দৰঙ্গী ৰজাৰ বিচাৰৰ কথা। ইয়াৰ পাছত মই কোচ ৰজাৰ ত'লৈ গ'লো। তাত যি দেখিলোঁ শুনিলোঁ তাক কওঁ শুনক—



পশ্চিমৰ এজন ৰজাৰ বেজৰ দ্বাৰাই লক্ষ টকা খৰচ কৰি ৫ বছৰত ৰজাই /২॥ সেৰ তেল তৈয়াৰ কৰাইছিল। বেজে /১ সেৰ ৰজাক দি /১॥ সেৰ নিজে লৈ নিজ দেশলৈ যাবলৈ ওলাল। ৰজাই সেই তেল ভঁৰালীৰ হাতত থবলৈ দিয়ে; থবলৈ নিওতে দৈবাৎ সেই তেল ভঁৰালীৰ হাতৰপৰা পৰি তেনেই নষ্ট হয়। সিমান মূল্যবান তেল পেলাই ইমান হানি কৰাতো ৰজাই ভঁৰালীক একো দণ্ড নকৰি—বেজ জনক আকৌ তেনেকুৱা তেল তৈয়াৰ কৰি দিবলৈ অনুৰোধ কৰাত বেজ আৰু ৫বছৰ কাল থাকিবলৈ অসম্মত হল। কিন্তু ৰজাৰ বাক্য পেলাব নোৱাৰি নিজৰ বাবে ৰখা তেলৰে /১ সেৰ ৰজাক দিলে। তেতিয়া ৰজা সন্তুষ্ট হৈ আকৌ বেজক এক লক্ষ টকা পুৰস্কাৰ দিলে। এই নিচিনা বহুত ঘটনা মই নিজে দেখিছোঁ। এতিয়া আপোনাৰ যি ইচ্ছা তাকে কৰক। ইয়াকে কৈ সন্ন্যাসীজন বদৰিকাশ্ৰমলৈ গুচি গ'ল।

ইয়াৰ পাছত শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ দুয়ো কোচবেহাৰৰ ৰজাৰ ৰাজধানীলৈ গতি কৰিলে। ৰজাই সিবিলাকক অহাৰ কাৰণ সোধাত—শ্ৰীশঙ্কৰদেৱে নিজৰ সকলো কথা কৈ তেওঁৰ ৰাজ্যতে থাকিবৰ ইচ্ছা প্ৰকাশ কৰিলে। ৰজাই বৰ আনন্দেৰে তেওঁৰ মতেতে হয় দি তেওঁক সপৰিবাৰে বৰ যত্নেৰে ৰাখিলে।

স্বদেশে পূজিতো ৰাজন্ বিদ্বান্ সৰ্ব্বত্ৰ পূজ্যতে—এই নীতিবাক্য এশাৰী শ্ৰীশঙ্কৰদেৱৰ গাতেই সাৰ্থকতা লাভ কৰিলে। নিজৰ বিদ্যা আৰু চৰিত্ৰৰ গুণত মহাপুৰুষৰ মহাপ্ৰতিভা চাৰিওফালে ব্যাপ্ত হবলৈ ধৰিলে। আৰু অলপ দিনৰ ভিতৰতে বহুত মানুহে তেওঁক ভালকৈ বুজিব পাৰিলে।

কোচবেহাৰৰ পণ্ডিত মণ্ডলীৰ প্ৰভাৱৰ ওপৰেদি তেওঁৰ নিজৰ নিৰ্ম্মল প্ৰভাৱ আভা জিলিকি পৰিল। পণ্ডিত মণ্ডলীয়ে তেওঁলোকৰ চাউল মৰাৰ আগন্তুক দেখি শ্ৰীশঙ্কৰদেৱক নানা প্ৰকাৰে লাঞ্ছনা কৰিবলৈ ধৰিলে।

এদিন ৰাজ সভাত বহি শ্ৰীশঙ্কৰে ধৰ্ম্মালোচনা কৰি আছে এনেতে শ্ৰী সহিব নোৱাৰা এজন পণ্ডিতে তেৰাক লক্ষ কৰি ৰজাৰ আগত এই শ্লোকটি মাতিলে :—

তিলকং কঙ্কণঞ্চৈৱ নাৰীনাঞ্চ পয়োধৰঃ।

স্থানভ্ৰষ্টা নশোভন্তে দন্তাঃ কেশঃ নখস্তথা ॥

অৰ্থাৎ তিলক, কঙ্কণ, স্তন, দাঁত, চুলি আৰু নখ স্থানভ্ৰষ্ট হলে বেয়া দেখাৰ দৰে স্থানভ্ৰষ্ট লোকো শোভা নাপায়। শ্ৰীশঙ্কৰে তেওঁৰ ইতিকিং ভাল দৰে বুজিব পাৰিলে ; কিন্তু মহাপুৰুষে অলপো খং ভাব নেদেখুৱাই সেই শ্লোকটিতে তৃতীয়ান্ত কৰি বিপৰীত অৰ্থ কৰিলে ; যেনে :—তিলকৰ জন্মস্থান পটা, সি পটাত থাকি কপাললৈ নাহিলে নোশোভে, সেই দৰে কঙ্কণ বাঢ়ৈৰ ঘৰৰপৰা নাৰীৰ হাত নাপালে, পয়োধৰ পূৰ্ব্বাৱস্থাৰপৰা যৌৱনাৱস্থা নাপালে, হাতীৰ দাঁত আদি মুখৰপৰা একৰাই আনি নানা শিল্পত নখটালে, নাৰীৰ চুলি জন্মাৱস্থাৰপৰা নাবাঢ়িলে নাইবা মানুহৰ চুলি স্বাভাৱিক যেনে ভাৱে থাকে তাক পৰিপাটীকৈ নাবান্ধিলে কুৰূপ দেখাৰ দৰে, মানুহ নিজ ঠাইতে থাকিলে তেওঁৰ গুণ প্ৰকাশ নাপায়। শুনক :—

স্থান মুৎসৃজ্য গচ্ছন্তি সিংহাঃ সৎপুৰুষাঃ গজাঃ।

তত্ৰৈৱ নিধনং যান্তি কাকা কাপুৰুষা নৰাঃ ॥

সিংহ, সৎপুৰুষ, গজ স্বস্থান এৰি ভ্ৰমে, কাউৰী আৰু কাপুৰুষে নিজ স্থানতে ভবলীলা সামৰে। এতেকে দেশেবিদেশে ফুৰিলেহে লোকৰ গুণ গৰিমা বাঢ়ে। শঙ্কৰদেৱৰ এনে সাৰগৰ্ভ কথা শুনি সমাজৰ সকলো সভাসদে তেখেতক প্ৰশংসা কৰিবলৈ ধৰিলে—আৰু পেট-কপটীয়া পণ্ডিতজনে লাজতে নিতাল মাৰিলে। ৰজাই সন্তুষ্ট হৈ মহাপুৰুষক সত্ৰ সতা পাতিবলৈ ৪০০ পুৰা মাটি দান কৰিলে। এই দৰে তেখেতে গোটেই আসামতে কেনেকৈ ধৰ্ম-বীজ ৰোপণ কৰিলে তাক সকলোৱেই জানে। এই বিষয় মই বিশেষকৈ নকওঁ—মাত্ৰ ইমানকে কওঁ যে —পৃথিবীত সততে দেখা যায়—যেতিয়া ধৰ্ম্মৰ গ্লানি ঘটে, অধৰ্ম্মৰ প্ৰকোপ বাঢ়ে তেতিয়াই একো একো জন মহাপুৰুষৰ আবিৰ্ভাৱ হয়। ভাৰতৰ সেই সময়ত বৰ দুৰ্ব্বিপাক গতিকে পশ্চিম ফালে গুৰিনানক, বঙ্গদেশত চৈতন্যদেৱ আৰু আমাৰ আসামত শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ অভ্যুদয় হয়।

তদুপৰি মহাপুৰুষসকলক দেখা যায় যে সিবিলাকৰ অন্তৰৰ সত্য ভাব আন জেনেহে জগতত বিলায়। শঙ্কৰদেৱৰ সত্য ভালো তেৰাই নিজ নিজি মাধৱদেৱৰ



হতুৱাই দিয়াইছিল। তেওঁ বেলেগ নহয় শঙ্কৰদেৱ পুৰুষৰ ছাঁৰ সদৃশ একে।

মাধৱদেৱ পুৰুষৰ এনে এষাৰ কথা নাই, যাক কলে শ্ৰীশঙ্কৰৰ নাম নোলোৱাকৈ থাকিব পাৰি। এইসকল অৱতাৰ পুৰুষ যে তাত অলপো সন্দেহ নাই ; আজি এই নিচিনা মহাপুৰুষৰ কথা আলোচনা কৰিবলৈ বা তেওঁসকলৰ গুণ গাবলৈ এই ধৰ্ম্মসভা পতা দেখি মই বৰ আনন্দ পাইছোঁ ; আৰু এনে সৎকামলৈ মোৰ নিচিনা অভাজনক নিমন্ত্ৰণ কৰাত মই নিমন্ত্ৰণকাৰীসকলৰ ওচৰত কৃতজ্ঞতা জনাইছোঁ। এই দুজনা গুৰু আসামৰ বা পূৰ্ব্ব ভাৰতৰ সৌভাগ্য-সূৰ্য্য ; অসমীয়া জাতি আজি ধন্য, কিয় ? সিবিলাকে এনে অমূল্য নিধি নিজ ঘৰত পোৱা বুলি বুকু ফিন্দাই কৰ পাৰে।

এই দুজনা মহাপুৰুষে আসামক যি দিলে অসমীয়া জাতি থাকে মানে তাৰ ঋণ শুজিব নোৱাৰে। সংস্কৃতত বহুত উৎকৃষ্ট কাব্যাদি আছে, বৰ্ত্তমান বঙ্গলাভাষাতো বহুতো ভাল পুথি হৈছে, কিন্তু আপোনালোকে পঢ়ক কীৰ্ত্তন আৰু নাম ঘোষাৰ দৰে সৰল সুললিত আৰু একে ধাৰে ইমান উপদেশ থকা পুথি ওপৰত উল্লেখ কৰা দুই ভাষাত কিমান পায়। বঙ্গলাভাষাত এই শাৰীৰ পুথি এখনো নাই বুলি ডাঠি কব পাৰোঁ।

অন্তত এষাৰ কথা কওঁ বেয়া নাপাব :—মই ভাবিছিলোঁ—কলি প্ৰবেশ কৰিলে, ধৰ্ম্ম-কৰ্ম্ম লাহে লাহে লোপ পাই আহিব—ক্ৰিয়া কাণ্ডলৈ লোকৰ অৱহেলা হব। কিন্তু লৰাবিলাকৰ আজি এই কাৰ্য্য দেখি আৰু গুৰুজনলৈ সিবিলাকৰ সৰল ভক্তি দেখি মোৰ ভাৱৰ সলনি হল। আমাৰ ছাত্ৰসকলে এই নিচিনা মহাপুৰুষৰ যে গুণৰ মোল বুজিব পাৰিছে, তাকে বুজিব পাৰি মই বৰ ৰং পাইছোঁ। কিন্তু কথা এটা মনত ৰাখিব লাগে,—শিলত নখ ঘঁহিলে নখ ক্ষয় যায়, সেই নিচিনাকৈ অৱতাৰ পুৰুষৰ বা সাধু পুৰুষ নাইবা মহৎলোকৰ অহিত চিন্তিলে নিজৰ চাৰি পুৰুষাৰ্থত বাধা জন্মে, তাৰ প্ৰমাণ মই দেশ বিদেশে বহুত দেখিছোঁ। মই এতিয়া বুঢ়া ; মোৰ জীৱনৰ সৰহ ভাগ সময় বিক্ৰীত দ্বাৰ-পণ্ডিত ৰূপে কটালোঁ ; আৰু তাৰ পাছৰপৰা ভগৱন্ত প্ৰভুৰ কৃপাত আজি প্ৰায় ১২ বছৰ কাশী, বদৰিকাশ্ৰম, মথুৰা, পুস্কৰ, দ্বাৰকা, ৰামেশ্বৰ সেতুবন্ধ, পুৰী আদি ভ্ৰমণ কৰিলোঁ। শাস্ত্ৰাদি পাঠ কৰি আৰু এইবোৰ দেখি শুনি যি বুজিছোঁ এই—শ্ৰীশঙ্কৰে পূৰ্ব্ব

তাৰতক অমূল্যানিধি দান কৰিলে। মই বৰ আনন্দ পালোঁ। যে, অসমীয়াই আন কি অসমীয়াৰ আজি নৰা ছোৱালীয়েও মহাপুৰুষৰ গুণ অলপ গাব জানিছে।

আৰু এটা কথা আগেয়ে ( মধ্য যুগৰপৰা ) নগুণ এটা জাতিৰ আছিল---কিন্তু এতিয়া কায়স্থ, কলিতা, ৰাজবংশী, মুগী, আদি কেবা জাতিৰো হল।"

ছাত্ৰসকলৰ কথাকে নকওঁ—যিসকল শিক্ষিত ভদ্ৰলোক সেই সভাত উপস্থিত আছিল সেইসকলেও তেখেতৰ বক্তৃতা শুনি তধা মানিলে। তেখেতে বক্তৃতাৰ ভিতৰত বহুত শ্লোক মাতি মাতি কোৱা কথাৰ সত্যতা প্ৰমাণ কৰিছিল; আমি সেই-বোৰ ইয়াত তুলি দিব নোৱাৰিলোঁ। ইয়াৰ পাছত সকলো উপস্থিত ভদ্ৰমণ্ডলী আৰু ছাত্ৰসকলে গোটখাই তেখেতৰ ফটো লোৱাৰ পিছত সভা ভঙ্গ কৰা হল।*

টোকা কৰোঁতা
শ্ৰীতোমেশ্বৰ শৰ্ম্মা।

---

# গোলাপী।

১

নৈৰ পাৰৰ ছুপুৰী পঁজাত সুখে দুখে থাই-শুই,
জীয়েকেৰে সতে বুঢ়ী আহিনীয়ে দিন গণিছিল ঐ।
বুঢ়ীয়ে সদাই মতাই-পিতাই জীয়েকক দিয়ে আনি,
তাৰেই মনৰ হৰিষে ছুয়ো চলিছিল টানি-মানি।
পুৱাতে উঠিয়ে ঘৰবাৰী সাৰি মূৰত পাচিটো তুলি,
গাৱঁলৈ দেহি যায় বুঢ়ী মাক চূণ সলাবলৈ বুলি।
গাভৰু জীয়েকে, ঘৰ বখি থাকে মাকেও নিদিয়ে যাব,
বোকাই পানীয়ে আহোঁতে যাওঁতে কিবা জানি দুখ পাব।
গোলাপীয়ে যোৱা আহিনত দিছে ষোল বছৰত ভৰি,
মুখৰ বৰণ, দেহৰ গঠন দিনকে গৈছে চৰি।

* এই লেখাখন প্ৰবন্ধাৎপৰ শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাই বাঁহীত ছপাবলৈ পঠিয়াইছে। সাধুজনৰ বক্তৃতাত দুই জনা মহাপুৰুষৰ জীৱনীৰ কিছুমান কথাৰ বিশেষ বিবৰণেৰে সৈতে আলোচনা কৰিবৰ প্ৰস্থৰ অলপ-অচৰপ অমিল থাকিলেও আমি ইয়াক ছপালোঁ। এইবাবে যে বক্তা সাধুজন দামোদৰীয়া সম্প্ৰদায়ৰ। প্ৰকৃত দামোদৰীয়াসকলে শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীদামোদৰদেৱক কেনে ভক্তিৰ চকুৰে চায়, ইয়াৰপৰাই তাৰ চানেকি, আজিকালিৰ শঙ্কৰ মাধৱ নিন্দক কিছুমান দামোদৰীয়া কেইজনে চাই লওক।—সম্পাদক।



গাৱঁৰ কতনো ডেকাই ধৰিছে বিয়া দিব লাগে বুলি,
বুঢ়ীটয়ে দেহি দিব নে নিদিয়ে কোৱা নাই কাকো খুলি।
কতনো পাঙিছে, কতনো ভাঙিছে, কত ভাব আহে যায়,
প্ৰাণতো অধিক গোলাপীক বাৰু কাকে বা গতাব হায়।

২

একে বয়সীয়া মথুৰ বোপাটি ছুয়ো বৰ চেনেহৰ,
কেচুৱাৰেপৰা একেলগে উঠা, নাই একো ভিন পৰ।
ছুয়োৰো ভাবতে ছুয়ো মতলীয়া ছুয়ো ছুয়োৰো ধ্যান,—
দুটি প্ৰাণ মিলি কেতিয়া নো জানো হবগৈ একে প্ৰাণ।
ওপজাৰেপৰা ছুয়োৰো ছুয়োকো এৰাএৰি হোৱা নাই,
ইদৰেই হায় গোটেই জীৱন যায় যদি সৰ্ব্বদাই।
বুঢ়ী গাৱঁলৈ ওলাই গলেই মথুৰ চাপেহি কাষ,
নোৱাৰে যে হায় ঘৰত থাকিব দুপুৰায় হাবিলাষ।
সুখৰ দুখৰ কতনো বাতৰি ছুয়ো ছুয়োকো কয়,
ছুয়ো ছুয়োৰো মুখলৈ চাই ভাবতে বিভোল হয়।
কতনো তামোল দিয়ে খুৰিয়াই গোলাপীয়ে খনে খনে,
কত হাঁহি হাঁহে, কত কথা কয়, কত ভাবে মনে মনে।
মথুৰেও তাৰ উত্তৰ স্বৰূপে কত কথা উলিয়ায়,
হাঁহি ধেমালিতে ইদৰে ছুয়োৰো দিনৰ দিনটো যায়।

৩

এদিন আহিনী ওলাই গলত মথুৰে বুলিলে আহি,—
"আহাঁচোন গোলাপী সাঁতুৰি নাদুৰি সোঁতে সোঁতে যাওঁ ভাহি।
ধৰাধৰি কৰি বলাচোন ছুয়ো পানীলৈ নামি যাওঁ,
চিলনী-সাঁতৰ কেনেকৈ মেলে আহাঁ আজি দেখুৱাওঁ।
সুৰৰি সুৰেৰে আহাঁ আহাঁ বুলি নৈখনি বৈ যায়,
বতাহ ছাটিয়ে চোৱাঁচোন কি দৰে মন প্ৰাণ উথলায়।
সেইয়া তোমাকো আঁচল লৰাই মাতবলৈ দিছে কৈ,
বেলিও নামিছে, তাৰৰো নামিছে, আমিয়ে হে আছোঁ বৈ।"

মিচিকাই হাঁহি কলে গোলাপীয়ে,—"মোত একো কথা নাই,
তোমাৰ মনেই মোৰো মন বুলি জানি লবা সৰ্ব্বদাই।
তোমাৰ কথা যে নোৱাৰোঁ পেলাব, কিয়নো নাযাম কোৰাঁ,
কি দৰে উলাহে শৰালিহালিয়ে নাচুৰিছে ঐ চোৰাঁ।"
খোজে খোজে ছুয়ো খোজ লেখি লেখি অগা-পিছা কৰি ভৰি
নৈলৈ নামি গল ধীৰে ধীৰে উখল-মাখল কৰি।

৪

ছুয়ো ছুয়োলৈ পানী ছটিয়াই খেলিলে কতনো খেলা,
আঁচলে আঁচলে ৰচিলে কত নো বুৰবুৰণিৰ মেলা।
চুলিটাৰ মেলি সোঁতত উটাই গোলাপীও গল উটি,
মথুৰেও একে হাঁফোলাতে গৈ একেলগ হল ছুটি।
কতনো লুকাল কতনো ওলাল কত হাঁয় বুৰিয়ালে,
লুকালুকি কত খেলিলে ইদৰে ছুয়োটিয়ে পালে পালে।
সোৰা গোলাপী লুকাল চোৰাঁচোঁ, মথুৰে বিচাৰি ফুৰে,—
"কত পৰ আৰু লুকাব গোলাপী হিয়া মোৰ পুৰি মৰে।
খপ কৰে উঠি ছচকু মুদাই ধৰচোঁ সাবটি মোক,
লোচোন আৰু নকৰ পলম কাকুতি কৰিছোঁ তোক।
গোলাপী আৰু যে নোলাল নোলাল, নিদিলে নিদিলে ধৰা,
শুনিও নুশুনা হল যে গোলাপী মথুৰে আটাহ পৰা।
কোনে বা ভুলালে গোলাপীক আজি মথুৰকো পাহৰালে,
এৰিলে মাককো, প্ৰাণৰ প্ৰিয়কো, সকলোকে একে কালে।

৫

বহুত দূৰত অঠাই জলত সোঁপাহি কিবা ফুল,
গোলাপো নহয়, পদুমো নহয়, নহয় একোৰে তুল।
এবাৰ ওলায়, এবাৰ সোমায়, চুচুক্চামাক কৰে,
জলকুঁৱৰী হে হবলা মনেৰে চুলিকোছা মেন লৰে।
ফুলো যে নহয়, জলকুঁৱৰীও নহয় নহয় ঐ,
মথুৰক এৰি গোলাপী হে দেখোঁ উটি বুৰি যায়গৈ।



মথুৰে আৰু কি গহীনে গম্ভীৰে থিৰেৰে থাকিব পাৰে,
পানী ভাঙি গৈ-গোলাপীৰ কাষ ললেগৈ এবেবাৰে।
ছুয়ে ছুয়োকো ধৰিলে সাবটি কোনেও নিদিলে এৰি,
নাটিও নাপালে, পাৰো নাচাপিলে, পানীয়ে ৰাখিলে বেৰি।
ছুয়োৰো বাহুত ছুয়ো মেৰ থাই ওঁঠে ওঁঠে লগ কৰি,
যুগল তৰাৰ দৰেৰে লুকাল ছুয়ো ছুয়োকো ধৰি।
চিৰজনমৰ বাসনা পূৰাই ছুয়ো হল অন্তৰ্দ্ধান,
শীতল জলত চিৰকাললৈ শীতলালে মন-প্ৰাণ।

শ্ৰীলক্ষ্মীনাথ ফুকন।

---

# এটি প্ৰশ্ন।

শ্ৰীশ্ৰীশঙ্কৰদেৱ মহাপুৰুষ অৱতীৰ্ণ হোৱা কোন মাস তাৰ অনেকৰ অনেক মত বা ব্যাখ্যা। কোনোৱে কয় আহিন কাৰ্ত্তিকৰ সংক্ৰান্তি অমাবস্যা, কোনোৱে কয় ফাগুনৰ দ্বিতীয়া। উভয় মতে শুক্লপক্ষ প্ৰমাণ হয়। তিথিৰ পৰিবৰ্ত্তন হয়। আমাৰ মনেৰে তিথি স্থিৰ নহলে কৰ্ত্তব্য কৰ্ম্ম শুদ্ধ নহব। এই ভাবি কেইটিমান প্ৰশ্ন বিচাৰৰ প্ৰমাণ দিয়া হল।

১ম—"ডেৰ ৰবিষ ক আয়ু চয়কুৰি ভৈলা" চৰিত্ৰ। শ্ৰীশঙ্কৰদেৱ এক বছৰ ছয়মাস কম ছকুৰি বছৰ পৃথিবীত থাকে। আহিন বা কাতিত জন্ম হলে নিমিলে; ফাল্গুন মাহত মিলিত হয়।

২য়। সত্তৰাম দলৈয়ে জাত গণনা কাৰ নক্ষত্ৰ মতে গঙ্গাধৰ নাম প্ৰকাশ্য গুণে-কাৰণে মিলাই শঙ্কৰ নাম ৰাখিলে। এতিয়া দেখা হল সেই বছৰ মাঘী পূৰ্ণিমা মাঘৰ শেষত পৰিছিল, সেইবাৰে অশ্লেষাৰপৰ শ্ৰৱণা নক্ষত্ৰত অমাবস্যা হয়, ধনিষ্ঠা নক্ষত্ৰত জন্ম ধৰা পৰে; কাতি বা আহিনত এনে কথাৰ প্ৰমাণ নহয়। ইয়াৰ প্ৰমাণ শ্ৰীৰাম শ্ৰীকৃষ্ণৰ জন্মত মিলে।

৩য়। যেতিয়া শঙ্কৰদেৱৰ জন্ম হয় তেতিয়া ১০০ পুৰা নৰিয়হৰ ডলি কাতি হে পৰে, ১৯০ গছ জলন্ত প্ৰদীপ নুনায়, কাতি বা আহিনত ডলিত ইমান নাথাকে, ফাল্গুনত সম্ভৱপৰ।

৪থ। প্ৰায় সাধুবিলাকে আহিন কাতিৰ সংক্ৰান্তি বৃহস্পতিবাৰ অমাবস্যা তিথি

ৰাত্রি জন্ম বুলি কীৰ্ত্তন কৰে। ডেৰবৰিৰ কম ছয় কুৰি বছৰ পৃথিবীত আছিল এই বুলি ৰামচৰণ ঠাকুৰ দৈত্যাৰি ঠাকুৰ কৃত দুই চৰিত্ৰত পোৱা হয়। প্ৰমাণৰ কথা প্ৰমাণ কৰি যি পোৱা হল আমি ফাল্গুন মাহ বুলি সঠিক কৰিলোঁ। ভাল প্ৰমাণ নাপালে আহিন মাহ কেতিয়াও মানিবৰ ইচ্ছা নকৰোঁ।

শ্ৰীলক্ষ্মীকান্ত মহন্ত। শ্ৰৱণী সত্ৰ।

---

## শুদ্ধৱণী।

(১)

যোৱা আহিনৰ বাঁহীত ওলোৱা "স্বৰ্গীয় ঘনশ্যাম খাৰংবীয়া ফুকনৰ"—প্ৰবন্ধত তলত দিয়া কথাকিটি অশুদ্ধ হৈ ছাপা হৈছে।

| পিঠি, | শাৰী, | অশুদ্ধ, | শুদ্ধ। |
|---|---|---|---|
| ৫৮৯ | ২০ | বাহৰ ঘৰ | বাৰে ঘৰ। |
| " | ২১ | লোৰণী | লেৰেলী। |
| " | ২২ | ৺গদাধৰ | ৺গদাধৰ। |
| ৫৯০ | ১০ | (পৰি গৈছে) | "পৰিয়ালৰ" হাতত। |
| " | ২০ | ফুকনৰ | ফুকন। |

স্বৰ্গীয় ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ দেউতাকৰ নাম ভুল হৈ ৺হলিৰাম বৰকাকতী বুলি ওলাইছিল; কিন্তু, ফুকনৰ দেউতাকৰ নাম ৺দুৰ্গাৰাম বৰকাকতী হে, ৺হলিৰাম, ফুকনৰে অন্য এটি নাম।

শ্ৰীনকুলচন্দ্ৰ ভুঞা।

---

(২)

একাদশ সংখ্যা বাঁহীৰ ৫৯২ পৃষ্ঠাত ছাপাত এটা ডাঙৰ ভুল হৈ গল। ৯০০ গ্ৰাম চড়িয়ম্ ক্ল'ৰাইডৰ ঠাইত ০০৯ (দশমিক ন) গ্ৰাম হ'ব। শতকৰা ০০৯ হলে হেজাৰত ৯ গ্ৰাম্ হয় আৰু ২২ নম্বৰৰ শাৰীত এই ৯ গ্ৰামৰ উল্লেখ থকাৰপৰাই অলপ ভাবি চাই পঢ়োঁতাই এইটো ধৰি লব পাৰিব।

শ্ৰীদামোদৰ চাংকাকতী।

---